চান্দমামা

নভেম্বাৰ ১৯৮৫



“যিদিনা মই মোৰ প্ৰথম শালমন আৱিষ্কাৰ কৰিলো…
সেইদিনাই মই আৱিষ্কাৰ কৰিলো ক্লিয়াৰেছিল।”

সেই দিনটোৰ কথা মোৰ আজিও মনত পৰে। মনত কিমান যে উৎকণ্ঠা…মোৰ বাইদেউৰ বিয়ালৈ আৰু মাথো এসপ্তাহ আছে। আৰু মই নতুন কাপোৰেৰে সাজি-কাচি দাপোণৰ আগত ঠিয় দিলো। কিন্তু ই কি…মোৰ গালত এয়া কিহৰ দাগ…ইয়ে শালমন। ই আছিল মোৰ প্ৰথম শালমন। কিন্তু এই সময়ত…নাই নাই, এতিয়াতো ওলাব নালাগিছিল।

সেই সময়তে সোমাই আহে বাইদেউ, মোৰ মুখলৈ চায়। তেওঁ কলে “হেৰ’ পাগলী, এই বয়সত সকলোৰে শালমন ওলায়। মোৰো ওলাইছিল, সেয়ে মই লগালো ক্লিয়াৰেছিল। তয়ো লগোৱা উচিৎ।” মই তাকেই কৰিলো। আৰু কি জানে? সুফলো পালো। এতিয়া আৰু মই কব নালাগে যে বিয়াখন মই ভালদৰেই উপভোগ কৰিলো।

ক্লিয়াৰেছিলে
শালমন পৰিষ্কাৰ
কৰাত সহায়
কৰে আৰু
ই বিয়পি
পৰাটোও
ৰোধ কৰে।

CBM/5687/AS

ক্লিয়াৰেছিল

শালমনৰ বিশেষজ্ঞ যি সঁচাকৈয়ে প্ৰভাৱশালী

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে !
सुपर
रिन
सफ़ेदी की चमकार
RIN
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক – আৰু বেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !
হিন্দুস্থান লিভাৰৰ উৎকৃষ্ট উৎপাদন
LINTAS RIN 93 2016 AS

Escape to the

Escape to the sleepy village of Modhera. To the glorious sun-temple where once a golden deity reflected the rays of the rising sun back to the heavens. To a world of splendid architecture and exquisite sculpture that defies the ravages of time ...

The lost glory of Modhera. Watch it come alive in the pages of the Heritage.

The Heritage: magazine or mini library?

The Heritage is an amazing storehouse of information: every issue is a unique compilation of facts that answer some of the most intriguing questions.

How were black ants used in ancient surgery?

Why do the Charans of Rajasthan worship rats?

What kind of spacecraft will NASA send up to visit Halley's Comet?

And more ...

Fascinating articles on every aspect of Indian culture. Stories about the land, its history, its people, their customs, their arts and crafts ...

Travelogues that capture the spirit of little-known places and exotic lands.

Updates – and flashbacks – on science and technology.

From the publishers of Chandamama

THE HERITAGE

It's worth preserving. Every issue of it.

eleventh century tonight.

Lucid articles that interpret Indian mythology and philosophy in terms the modern reader can understand.

Plus a fiction bonanza in every issue, written by some of the most well-known contemporary fiction writers. Ruskin Bond. Edith Pargeter. Manoj Das. And the best of Indian language fiction, translated to keep the flavour of the original.

All of which makes the Heritage a fascinating way to catch up with the past – and the present.

A galaxy of well-known authors

The Heritage carries articles by some of the most famous names in contemporary Indian literature and journalism. Regular contributors include M N Das, K A Abbas, M P Pandit, Prince Philip, Mulk Raj Anand.

And an expert panel of academicians who are authorities in their fields.

Start your Heritage library today

The Heritage now offers readers a unique money-back subscription scheme. Fill in the coupon below and enclose your annual subscription with it. If you are not satisfied with the first issue, please return it to us with your comments, within ten days, and we will refund your money in full.

Yes, I want to start my Heritage collection right away. I am enclosing a DD/MO for Rs 72 towards annual subscription.

Name: ______________________________

Address: ______________________________

____

Mail your subscription to: **Dolton Agencies, 188 N.S.K. Salai, Vadapalani, Madras 600 026.**

CMP. 1789

চান্দমামা

নভেমবাৰ ১৯৮৫

এই সংখ্যাত আছে

অন্ধকাসুৰ	:	১০	আমাৰ দেৱালয়	:	৩৫
কাঁহৰ কিল্লা	:	১১	ৰজা হোৱাৰ মজা	:	৩৯
খ্যাতিৰ বিড়ম্বন	:	১৯	আচল কথা বুধি	:	৪৩
আন্তৰিকতা	:	২৬	তানপুৰা	:	৪৮
মৰমেই ধৰম	:	২৭	শিৱ-পুৰাণ	:	৫১
সন্যাসী-২	:	৩১	জাৰৰ মন্ত্ৰ	:	৫৭

লগতে

অমৰবাণী, চান্দমামাৰ খুতুৰা-খবৰ, পশু-পক্ষীৰ কথা ইত্যাদি।

চান্দমামা

সংস্থাপক ঃ চক্রপাণি
সঞ্চালক ঃ বি নাগিৰেড্ডি

৬৫ নং পৃষ্ঠাত থকা ইংৰাজী ঠিকনালৈ কেৱল ফটো নামকৰণ প্ৰতিযোগিতাৰ প'ষ্টকাৰ্ড আৰু চান্দমামা'ত প্ৰকাশৰ বাবে লোক-কথামূলক ৰচনা পঠাব। গ্ৰাহক হ'বলৈ টকা-পইচা উক্ত ঠিকনালৈ কোনেও নপঠায়-যেন। এই সংখ্যাৰপৰা 'চান্দমামা'ৰ বেচ খনে ২'৫০ পইচা আৰু বছৰেকীয়া বৰঙণি ৩০'০০ টকা হ'ল। ফটো-নামকৰণ প্ৰতিযোগিতালৈ এজনে এখন প'ষ্টকাৰ্ড পঠাব। ইনলেণ্ড বা খামত পঠালে বাতিল বুলি গণ্য হ'ব! এই বিষয়ে ব্যক্তিগত পত্ৰ-যোগাযোগ কৰা নহয়।

অমৰ-বাণী

অভ্যাসেন ন লভ্যন্তে চত্বাৰ সহজা গুণাঃ।
দাতৃত্বম্ প্ৰিয়ৱং কৃত্বম্ কবিত্বমুচিতজ্ঞতা ॥

[দান কৰা, ভদ্ৰতাৰে মাত-বোল কৰা, কবিত্ব, উচিত আৰু অনুচিত অনুধাৱন কৰা আদি অভ্যাসেৰে আৰ্জিব নোৱাৰি; এইবোৰ সদ্‌গুণ চাৰিত্ৰিক বৈশিষ্ট্যৰপৰাহে ওলায়।]

বছৰ ঃ ১০ নভেম্বৰ ১৯৮৫ সংখ্যা ঃ ৮

খনে : ২'৫০ টকা : বছৰেকীয়া বৰঙণি : ৩০'০০ টকা

CHANDAMAMA

The Monthly Magazine of Light and Delight

* *Chandamama* presents, in a planned way, the game of Indian legends and literature.

* Global in outlook, it retells absorbing stories from the world's classics.

* It entertains the readers through humour that is intelligent, through wit that is constructive.

* It presents the epics of India in their authentic outlines.

* It answers worthy questions from readers, gives fascinating news and it adds to general knowledge.

* **Chandamama can play a creative role not only in your life, but also in the lives of those you love. Make gifts of Chandamama to the dear ones.**

MEANT FOR THE YOUNG, CHANDAMAMA HELPS ITS READER TO REMAIN YOUNG

Subscribe to Chandamama in any of the thirteen languages: Assamese, Bengali, English, Gujarati, Hindi, Kannada, Malayalam, Marathi, Oriya, Punjabi, Sanskrit, Tamil and Telugu.

Annual Subscription Rs. 30.00

Remit your subscription stating the language of your choice to:

Dolton Agencies
Chandamama Buildings, Vadapalani, Madras 600 026.

চান্দমামাৰ খুটুৰা-খবৰ

ছাত্ৰসকলৰ পৰ্বতাৰোহণ

বম্বে ইনষ্টিটিউট অৱ টেকন'ল'জিৰ ছাত্ৰসন্থাৰ ছজন ছাত্ৰই সম্প্ৰতে কিন্নৰ হিমালয়ত ৬৩৪৯ মিটাৰ উচ্চতা-সম্পন্ন ফৰলং চূড়াত আৰোহণ কৰিলে।

শিশু-চিত্ৰসন্থা

বাংগালোৰৰ ওচৰত সাত-আঠ কোটি টকা ব্যয় কৰি এছিয়াৰ আটাইতকৈ ডাঙৰ চিলড্ৰেনছ কমপ্লেকছ গঠন কৰা হৈছে। এই সন্থাৰ অধ্যক্ষ অমল পালেকৰে কৈছে, "ইয়াত কেৱল শিশু-চিত্ৰ নিৰ্মাণ কৰা নহয়, ইয়াত শিশুইতেও বোলছবি নিৰ্মাণ কৰিব।"

আহানিকলীয়া সৰীসৃপ

অবিজিন' মৰুভূমিত ২২৫ মিলিয়ন, অৰ্থাৎ ২২,৫০,০০,০০০ বছৰৰ আগৰ ডিনোজাৰ নামৰ এক বিশালাকাৰ সৰীসৃপৰ জঁকা সম্প্ৰতে আৱিষ্কৃত হৈছে। কেলিফ'ৰ্নিয়া বিশ্ব-বিদ্যালয়ৰ পুৰাতত্ত্ববিদ ৰেবলণ্ডৰ মতে—এয়ে হেনো পৃথিৱীৰ আটাইতকৈ প্ৰাচীন সৰীসৃপৰ ফছিল।

জানিবলগীয়া

১। আমাৰ দেশত সৰ্বপ্ৰথমে প্ৰকাশিত সংবাদপত্ৰৰ নাম কি?

২। আমেৰিকাৰ কোনডোখৰ ঠাইক ৰবৰৰ ঠাই বুলি কোৱা হয়?

৩। শ্ৰীলঙ্কাৰ মুছলমান, হিন্দু, আৰু বৌদ্ধসকলে কোন পৰ্বতশিখৰক পৱিত্ৰ শিখৰ ৰূপে মানে?

৪। বুদ্ধৰ জন্ম লুম্বিনীত, নিৰ্বাণ ক'ত হৈছিল?

৫। খ্ৰিষ্টপূৰ্ব দ্বিতীয় শতিকাত যোগশাস্ত্ৰৰ সূত্ৰাৱলী কোনে ৰচনা কৰিছিল?

[উত্তৰ: ৬৫নং পৃষ্ঠাত]

অন্ধকাসুৰ

অন্ধই নিশ্চয় চকুৰে মণিব নোৱাৰে। কিন্তু অন্ধকাসুৰে চকুৰে দেখা পাইছিল, তেওঁ আছিল। তেওঁ ব্ৰহ্মাৰপৰা এনেকুৱা এক বৰ লাভ কৰিছিল, যাতে লাগিলে তেওঁৰ এহেজাৰ চকু আৰু দুহেজাৰ হাত হৈ যাব। তেওঁ মদগৰ্বী হোৱা বাবেহে তেওঁক অন্ধকাসুৰ বুলি কোৱা হৈছিল।

অন্ধকাসুৰে মুনি-ঋষি আৰু দেৱতাসকলৰ ওপৰতো অত্যাচাৰ কৰিছিল। তেওঁৰ অত্যাচাৰৰপৰা ৰেহাই পাবলৈ ঋষি আৰু দেৱতাসকলে নাৰদৰপৰা সহায় প্ৰাৰ্থনা কৰিলে। নাৰদে এটা পৰিকল্পনা কৰিলে।

মন্দাৰ পৰ্বতৰ ওপৰত অপৰূপ সুগন্ধি ফুল ফুলিছিল। এই ফুলৰ নাম আছিল 'মন্দাৰ পুষ্প'। নাৰদে সেই মন্দাৰপুষ্পৰ মালা পিন্ধি অন্ধকাসুৰৰ প্ৰাসাদলৈ গ'ল।

মন্দাৰ পুষ্পৰ আমোলমোলোৱা গোন্ধেৰে মোহিত হৈ অন্ধকাসুৰে নাৰদক সুধিলে, "এই ফুল ক'ত আছে?"

নাৰদে হাঁহি মাৰি ক'লে, "এই ফুল মন্দাৰ পৰ্বতত আছে।"

অন্ধকাসুৰ তেতিয়াই মন্দাৰ পৰ্বতলৈ বুলি ৰাওনা হ'ল। মন্দাৰ পৰ্বত আছিল শিৱৰ অঞ্চল। শিৱভক্ত আৰু বিষ্ণুভক্তৰ বাহিৰে আন কোনেও তালৈ যাব নোৱাৰে।

কিন্তু মদগৰ্বী অন্ধকাসুৰ তথাপি তালৈ গ'ল। লগে লগে শিৱে তেওঁৰ ত্ৰিশূল অন্ধকাসুৰলৈ নিক্ষেপ কৰিলে। এই ত্ৰিশূলৰ আঘাত সহিবে নোৱাৰি অন্ধকাসুৰে পৰ্বতৰপৰা জঁপ মাৰি দিলে আৰু এইদৰে অন্ধকাসুৰৰ মৃত্যু হ'ল।

১০

বিৰাট বিচিত্ৰ অগ্নিপক্ষীৰ ডেউকাত লুকাই থকা যুৱৰাজ চন্দ্ৰবৰ্মা হঠাৎ বিলৰ পানীত পৰিল আৰু তাৰ পাছত বিশাল বিৰাট কুম্ভীৰ এটাই তেওঁক গিলি খাবলৈ খেদি আহিল। কিন্তু কুম্ভীৰৰ গৰাহৰপৰা তেওঁ ৰক্ষা পৰিল, তেওঁৰ সাহস, প্ৰত্যুৎপন্নমতিত্ব আৰু বুদ্ধিৰ বলেৰে। বিলৰ ওচৰত আছিল এটা বিৰাট পাহাৰ। এই পাহাৰৰ বাটে বাটে শংখ তান্ত্ৰিকৰ ঘৰ বিচাৰি ঘূৰি-ফুৰি থাকোঁতে চন্দ্ৰবৰ্মাই হঠাৎ তাত কাপালিনীৰ মাত শুনি ৰৈ দিলে।

আৰু তাৰ পাছত……

ঘূৰি থিয় হৈ, এন্ধাৰৰ বিচিত্ৰ পোহৰৰ মাজত কাপালিনীক দেখা পাই যুৱৰাজ চন্দ্ৰবৰ্মা অবাক-হতবাক। তেতিয়া তেওঁৰ মনত পৰিল অগ্নিপক্ষীয়ে আন চৰাই ছুটাৰ সৈতে পতা কথা-বাৰ্তাখিনি। সেই চৰাই ছুটায়েই যে কাপালিনীক তালৈ লৈ আহিছে সেই কথাত চন্দ্ৰবৰ্মাৰ একেবাৰে সন্দেহ নাথাকিল।

চন্দ্ৰবৰ্মাই কাপালিনীক ক'লেহি, "কাপালিনী, তুমিনো ইয়ালৈ কেনেকৈ



আহিলা! বাৰু সেই চৰাইবিলাক ক'লৈ গ'ল ক'ব পৰিবানে?"

কাপালিনীয়ে বিচিত্ৰ ধৰণে হাঁহি মাৰি ক'লে, "ইমান ডাঙৰকৈ কথা নক'বা। মনত ৰাখিবা, শংখ ওচৰে-পাঁজৰেই আছে। ব'লা, আমি কোনোবা এটা গুহাত আশ্ৰয় লওঁগৈ। গুহাত সোমাই মই তোমাক সকলো কথা ক'ম। মোৰ হাতত ধৰাঁচোন, মই লাহে লাহে খোজ কাঢ়িব পাৰিম।"

চন্দ্ৰবৰ্মাই কাপালিনীৰ হাত এখনত ধৰি কাপালিনীক থিয় কৰালে আৰু তাৰ পাছত দুয়ো আন্ধাৰে-মুন্ধাৰে খেপিয়াই খেপিয়াই খোজ দি দি গৈ থাকিল। কাপালিনীয়ে ক'লে, "চন্দ্ৰবৰ্মা, এই গুহাটোৰ ভিতৰতে আমি আশ্ৰয় লওঁগৈ, ব'লা।"

এই গুহাটোৰ চাৰিওফালে ডাঠ হাবি আছিল। তৰোৱালেৰে হাবি কাটি কাটি চন্দ্ৰবৰ্মা আৰু কাপালিনী গুহাটোৰ ওচৰ চাপিলগৈ। গুহাৰ ভিতৰত, এচুকত বহি লৈ কাপালিনীক চন্দ্ৰবৰ্মাই সুধিলে, "কাপালিনী, এই পাহাৰৰ ঠিক কোন-খিনিত শংখতান্ত্ৰিক আছে—তুমি বাৰু ক'ব পাৰিবানে?"

কাপালিনীয়ে ক'লে, "নোৱাৰিম কিয়, পাৰিম। কিন্তু কথা হ'ল যে—ইয়াত আমি ৰৈ থকাৰ কথা কেনেবাকৈ শংখই গম পায় যদি—কথা বিষমেই হ'ব। মই কালি পুৱাৰেপৰাই ইয়াত আছোঁহি। মোক ছোঁ মাৰি লৈ যাবলৈ দুটা ভয়ংকৰ চৰাই ইয়ালৈ আহিছিল। কিন্তু মোৰ মৰমৰ কালনাগে সিহঁতক তৎক্ষণাৎ খুটি মাৰি পেলালে।"

"তেনেহ'লে আমাৰ এতিয়া আৰু ভয় নাই। মই যেনেকৈয়েই নহওক আজি ৰাতিটোৰ ভিতৰতে শংখতান্ত্ৰিকৰ ঘৰটো বিচাৰি উলিয়াম। বিশেষকৈ সেই জাদু-শংখ থক ঘৰটো।" এই বুলি

কৈয়েই যুৱৰাজ চন্দ্ৰবৰ্মাই শংখতান্ত্ৰিকৰ ঘৰ বিচাৰি উলিয়াবলৈ খোজ ল'লে।

কাপালিনীয়ে যুৱৰাজ চন্দ্ৰবৰ্মাক বাধা দি ক'লে, "চোৱাঁ চন্দ্ৰবৰ্মা, অগ্নিপক্ষীৰ কথা তুমি মুহূৰ্তমানৰ বাবেও নাপাহৰিবা। ৰাতিৰ পৰতেহে অগ্নিপক্ষী আমাৰ যম। দিনৰ ভাগত তাক ভয় কৰাৰ আৱশ্যক নাই। কিন্তু এই অগ্নিপক্ষীক যিকোনো উপায়েৰে পৰ্য্যুদস্ত কৰিব নোৱাৰিলে আমাৰ উদ্দেশ্য সফল নহ'ব। ইতিমধ্যেই মই কালনাগক অগ্নিপক্ষীৰ কথা বুজাই কৈছোঁ আৰু কালনাগেও অগ্নিপক্ষীক বধ কৰাৰ উপায় চিন্তি আছে।"

"আমাৰ কালনাগো ইয়ালৈ আহি পালেহিয়েইনে?" অবাক চন্দ্ৰবৰ্মাই কাপালিনীক সুধিলে।

কাপালিনীয়ে হাঁহি মাৰি ক'লে, "চন্দ্ৰ, কালনাগে তোমাক কিজানি মোতকৈয়ো অধিক শ্ৰদ্ধা-ভক্তি কৰে। যি কি নহওক, তুমি মোক ইয়াত লগ পাই অবাক মানিছিলা; মই কিন্তু তোমাক ইয়াত দেখা পাই মুঠেই আচৰিত হোৱানাছিলোঁ। তুমি ইমান সোনকালে ইমান দূৰ পালাহিনো কেনেকৈ, তাকো সোধা নাছিলোঁ মই। কিয়নো, কাল-নাগৰপৰা তোমাৰ সম্পৰ্কে মই ভালেখিনি খা-খবৰ লৈছোঁ। তুমি যে অৰণ্যৰ বিচিত্ৰ ফল খাই পশু-পক্ষী মাত-বোল বুজিব পৰা হৈছা—তাকো জানিলোঁ মই। তোমাক মই শংখতান্ত্ৰিকৰ ডেৰালৈ পঠাইছিলোঁ; কিন্তু সেই বুলি তোমাৰ ভাল-বেয়াৰ দায়িত্ব পৰিত্যাগ কৰা নাছিলোঁ মই।"

কাপালিনীৰ কথা শেষ হোৱাৰ লগে লগেই গোটেই ঠাইডোখৰ উজ্জ্বল পোহৰেৰে উজলি উঠিল। অবাক চন্দ্ৰবৰ্মাই গুহাৰ বাহিৰলৈ আহি আকাশলৈ চালে। অদূৰত থকা বিৰাট বাঁহনিৰ ওপৰত অগ্নিপক্ষীক দেখা পাই চন্দ্ৰবৰ্মা বিস্মিত

হ'ল। তেওঁ আৰু দেখা পালে যে—তিনিমূৰীয়া কালনাগে অগ্নিপক্ষীক মেৰিয়াই ধৰিবলৈ চেষ্টা কৰি আছে। এই দৃশ্য দেখা পাই চন্দ্ৰবৰ্মাই কাপালিনীক ক'লে, "কাপালিনী, কালনাগে অগ্নিপক্ষীক আক্ৰমণ কৰিছে চোৱাহি। মই কালনাগক সহায় কৰোঁগৈনে?"

ওহোঁ—" কাপালিনীয়ে চন্দ্ৰবৰ্মাক বাধা দি ক'লে, "শুনা, শংখৰ এই লেমটৌটোক আমাৰ কালনাগে কাবু কৰিব পাৰিব বুলি মোৰ দৃঢ় বিশ্বাস। তুমি তালৈ নগ'লেও হ'ব। আন একো নহ'লেও কালনাগক এটা কালনাগ। তুমি তালৈ যোৱা যদি—তোমাৰ, আৰু লগতে মোৰো বিপদ হ'ব পাৰে। আন একো নহ'লেও, আমাৰ উপস্থিতিৰ কথা গম পাই শংখই সাৱধানতা অৱলম্বন কৰিব, আৰু আমাৰ ইয়ালৈ অহাৰ উদ্দেশ্য পণ্ড হ'ব। সেই দেখিহে কওঁ, তুমি য'তে আছা, তাতে থাকা, এখোজো আগুৱাই নাযাবা।"

ইতিমধ্যে অগ্নিপক্ষী আৰু কালনাগৰ মাজত প্ৰচণ্ড যুদ্ধ আৰম্ভ হ'ল। অগ্নিপক্ষীয়ে তাৰ ধাৰাল ঠোঁটেৰে কালনাগৰ তিনিটা মূৰ ক্ষত-বিক্ষত কৰিলে। কালনাগে অগ্নিপক্ষীৰ জোঙা নখৰপৰা নিজক বহু কষ্টেৰে মুক্ত কৰি লৈ হঠাৎ অগ্নিপক্ষীৰ ডিঙিত মেৰিয়াই ধৰিলে। পাছ মুহূৰ্ততে অগ্নিপক্ষীৰ উশাহ বন্ধ হওঁ হওঁ হ'ল। সি কালনাগৰ কবলৰপৰা নিজক মুক্ত কৰিবলৈ তাৰ বিৰাট ডেউকাৰে কালনাগক কোবাবলৈ ধৰিলে।

বহু সময় ধৰি এই বিষম যুঁজ চলি থকাৰ অন্তত কাপালিনীক চন্দ্ৰবৰ্মাই ক'লে, "অগ্নিপক্ষী আৰু আমাৰ কালনাগৰ মাজত চলি থকা এই যুঁজ-বাগৰ শংখই গম নোপোৱাকৈ নাথাকে বুলি মোৰ ধাৰণা।"

"নাপায় গম—" কাপালিনীয়ে ধীৰ শান্ত কণ্ঠেৰে ক'লে, "কিয়নো, শংখই

জানে যে তাৰ বিশ্বস্ত ভৃত্য অগ্নিপক্ষীয়ে পৰ দি আছে। শংখৰ দৃঢ় বিশ্বাস, অগ্নিপক্ষীক কোনেও পৰাজিত কৰিব নোৱাৰিব। এই নিশ্চিন্ততা মনত লৈ সি শংখই দিনত সদায় সাৰে থাকে, আৰু ৰাতি টোপনিয়ায়। শংখই কেতিয়া কি কৰে মই ভালকৈয়েই জানো।"

ইতিমধ্যে হঠাৎ অগ্নিপক্ষীয়ে প্ৰচণ্ড জোৰেৰে আৰ্তনাদ কৰি উঠিল। কালনাগে তাৰ তিনিওখন মুখেৰে অগ্নিপক্ষীক খুটি দিলে। আৰু চাওঁতে চাওঁতে অগ্নিপক্ষীৰ ডিঙিটো ওলমি পৰিল, ফুৰাৰমান তাৰ বিৰাট ডেউকাত কঁপনি তুলি স্তব্ধ হৈ পৰিল।

এই দেখি চন্দ্ৰবৰ্মাই চিৎকাৰ কৰি কৈ উঠিল, "জয়—কালনাগৰ জয়!" কিন্তু জয়ধ্বনিৰে গগন কঁপোৱাৰ ফলাফলো চন্দ্ৰবৰ্মাই পাছ মুহূৰ্ততে উপলব্ধি কৰিব পাৰিলে। তেওঁ বৈ দিলে। কাপালিনী ওলাই আহিল গুহাৰপৰা। দুয়ো কালনাগৰ ওচৰলৈ গ'ল। কালনাগ তেতিয়া ক্লান্ত-অৱসন্ন হৈ উবুৰি খাই পৰি আছিল। চন্দ্ৰবৰ্মা আৰু বুঢ়ী কাপালিনীক দেখা পাই, বহু কষ্টেৰে মূৰ দাঙি তেওঁলোকলৈ চালে কালনাগে।

চন্দ্ৰবৰ্মাই কালনাগৰ ওচৰ চাপি গ'ল। তেওঁ দেখা পালে যে—অগ্নিপক্ষীৰ গাৰপৰা ওলোৱা জুয়ে কালনাগৰ দেহৰ ভালেমান ঠাই পুৰিলে। কাপালিনীয়ে কালনাগক

মৰম কৰি ক'লে, "কালনাগ, আজিৰপৰা তোমাৰ দুঃখময় জীৱনৰ অন্ত পৰিব। অগ্নিপক্ষীহেন ভয়ংকৰ প্ৰাণীটোক মাৰি পেলাই মোৰ যি উপকাৰ কৰিলা—সেই কথা হাজাৰ বছৰলৈকো মই নেপাহৰোঁ। এতিয়া শংখ বাহাদুৰি মই চূৰ্ণ কৰিব পাৰিমেই। তাৰ সেই অসাধাৰণ শক্তিসম্পন্ন জাদু-শংখটো মোৰ হাতত পোৱাৰ লগে লগেই তোমাক পুনৰ মানুহলৈ পৰিৱৰ্তিত কৰাৰ ব্যৱস্থা কৰিম মই। মানুহৰ ৰূপ ঘূৰাই পোৱাৰ অন্তত তুমি য'লৈকে আৰু যেতিয়াই মন যায় তালৈ গুচি যাব পাৰিবা।"

শংখৰ ঘৰলৈ যোৱাৰ কথা শুনিয়েই যুৱৰাজ চন্দ্ৰবৰ্মাই পোন হৈ থিয় হৈ পূবলৈ চালে। ৰাতি পুৱাবলৈ আৰু বৰ বেছি দেৰি নাই। চন্দ্ৰবৰ্মাই কাপালিনীক ক'লে, "কাপালিনী, ৰাতি পুৱাবলৈ বেছি দেৰি নাই। এতিয়া শংখৰ ঘৰলৈ যাওঁ।"

কাপালিনীয়ে পূবলৈ চাই ক'লে, "তুমি ঠিকেই কৈছা চন্দ্ৰ, সূৰ্য্য ওলোৱাত বৰ বেছি দেৰি নাই। পিছে—আজি তালৈ নোযোৱাটোহে ভাল হ'ব। ইতিমধ্যে মই এটা উপায় চিন্তা কৰিছোঁ, কেনেকৈ শংখৰ পূজাঘৰলৈ সোমোৱা যাব—তাৰ চিন্তা। এই কথা লৈ পুংখানুপুংখ আলাপ আলোচনা নকৰি তালৈ যোৱাটো ঠিক নহ'ব।"

"কী উপায়ৰ কথা চিন্তা কৰিছানো?" চন্দ্ৰবৰ্মাই আগ্ৰহৰে প্ৰশ্ন কৰিলে।

"কওঁ, শুনা, কাষ চাপি আহোচোন।" চন্দ্ৰবৰ্মাই কাপালিনী কাষ চাপি আহিল, আৰু কাপালিনীয়ে চন্দ্ৰবৰ্মাৰ কাণে কাণে কিবাকিবি কৈ পৰিশেষত মন্তব্য কৰিলে, "কথাটো কিন্তু গুপুতে ৰাখিবা। কেনেবাকৈ সদৰি হৈ পৰিলে সৰ্বনাশ হ'ব।"

চন্দ্ৰবৰ্মাই তেতিয়া এজোপা গছৰ ওপৰত উঠি পূৰ্বদিশলৈ একান্ত মনেৰে লক্ষ্য কৰিলে। তাৰ পাছত, সেই



গছ জোপাৰপৰা নামি আহি কাপালিনীক ক'লে, "শুনা, কাপালিনী, মই মোৰ কামলৈ ওলাওঁ, তুমি গুহাৰ ভিতৰত জিৰণি লোৱাঁগৈ।" এই বুলি কৈ চন্দ্রবর্মা তেতিয়াই ওলাই পৰিল।

চন্দ্রবর্মাই হাবি কাটি কাটি আগবাঢ়ি গৈ থাকিল। কিছু দূৰলৈ এই দৰে আগুৰাই যোৱাৰ অন্তত তেওঁ লতাৰে এডাল ৰছী বনাই, সেই ৰছীৰ সহায়ত পাহাৰ বগাই উঠিবলৈ ধৰিলে। এই পাহাৰচূড়াত থিয় হৈ, সূর্য্যোদয়ৰ লগে লগে মন্ত্র মাতি মাতি শংখই চাৰিওফালে ঘূৰি ঘূৰি চায়। এয়া তাৰ বহুদিনীয়া অভ্যাস, প্রাত্যহিক কাম।

চন্দ্রবর্মাই লতাৰে বনোৱা ৰছীৰ সহায়ত পাহাৰলৈ উঠি পুনৰ পাহাৰৰপৰা নামি আহিল। কাপালিনীয়ে উৎসাহেৰে চন্দ্রবর্মাক সুধিলে, "কাম হৈ গ'লনে?"

"ইমান সোনকালে! চকুৰ পচাৰতে এইবোৰ কাম কৰিব নোৱাৰি নহয়? শুনা, মই যে দীঘল লতাৰে ৰছী বনালোঁ, সেই লতা-ৰছীৰ এটা মূৰ এচটা শিলত বান্ধি থৈ আহিছোঁ, আন মূৰটো ওলমি আছে। মোৰ মনত এক সন্দেহই মূৰ দাঙিছে—পাহাৰৰ ওপৰত থকা সেই নির্দিষ্ট শিলচটা যদি চিনি নোপোৱা হওঁ, যদি টানি গুচাব নোৱাৰোঁ—শংখই গম পাব পাৰে। তেতিয়া আমাৰ আঁচনি ব্যর্থ হ'ব।" চন্দ্রবর্মাই কাপালিনীক ক'লে।

কাপালিনীয়ে হাঁহি মাৰি ক'লে, "তোমাৰ মনত সন্দেহই উক দিলেই যেতিয়া—ঠিক আছে। ঠিক আছে, শংখ যেতিয়া সেই শিলচটাৰ ওপৰত থিয় হ'বগৈ, তেতিয়া তুমি ৰছীৰ আন মূৰটো মোৰ হাতত দিবা।"

কাপালিনীক লগত লৈ চন্দ্রবর্মা নির্দিষ্ট ঠাইলৈ গ'ল। কাপালিনীয়ে তীক্ষ্ণভাৱে ওপৰলৈ চাই, নিৰীক্ষণ কৰি ক'লে, "চন্দ্রবর্মা, শংখই যেতিয়া শিলচটাৰ

ওপৰত থিয় হৈ মন্ত্ৰ মাতিব, তেতিয়া এই ৰছীডালত ধৰি টানি দিলেই শিলচটা বাগৰি পৰিব। চন্দ্ৰবৰ্মা, সৌৱা চোৱা, শুনা, শংখই মন্ত্ৰ মাতিব ধৰিছে। সৌৱা—চোৱাঁ, তাৰ হাতত আছে সেই মন্ত্ৰদণ্ড। সি মন্ত্ৰ উচ্চাৰণ কৰাৰ লগে লগেই তুমি ৰছীডালত ধৰি টানি দিবা—বছ—আৰু একো কৰিব নালাগে।” কাপালিনীয়ে অতি ধীৰে-শাঁতে কথাকেইআষাৰ ক'লে চন্দ্ৰবৰ্মাক।

চন্দ্ৰবৰ্মাই পাহাৰৰ ওপৰলৈ চাই থাকিল। বেলি ওলাল। আৰু লগে লগে চন্দ্ৰবৰ্মাই দেখা পালে শিলচটাৰ ওপৰত থিয় হৈ থকা শংখক। মুহূৰ্তৰ বাবে চন্দ্ৰবৰ্মাৰ বুকুখন চিৰিংকৈ গ'ল। কিন্তু পাছ মুহূৰ্ততে সাহস গোটাই লতাৰে বনোৱা সেই ৰছীডালত টানকৈ খামোচ মাৰি ধৰিলে। শংখতান্ত্ৰিক যিচটা শিলৰ ওপৰত থিয় হৈ আছিল, চন্দ্ৰবৰ্মাই লতাৰ ৰছীডাল সেই শিলচটাৰ লগতে বান্ধি থৈ আহিছিল। চন্দ্ৰবৰ্মাই সেই ৰছীডালত থাপ মাৰি ধৰাৰ পাছমুহূৰ্ততে শংখতান্ত্ৰিক শিলচটাৰ ওপৰত থিয় হ'লহি।

“চন্দ্ৰবৰ্মা—” কাপালিনীয়ে ফুচফুচাই ক'লে, “এয়ে সুৱৰ্ণ সুযোগ! এতিয়াই ৰছীডালত ধৰি জোৰেৰে টান মাৰি দিয়া।” কাপালিনীয়ে চন্দ্ৰবৰ্মাক উদগালে।

আৰু চন্দ্ৰবৰ্মায়ো ৰছীডালেৰে জোৰেৰে টান মাৰি ৰছীডাল এৰি দিলে। শংখতান্ত্ৰিকে তাৰ হাত দুয়োখন আকাশত আফালি কৈ উঠিল, “বিশ্বাসঘাতক!” লগে লগে শংখৰ হাতত থকা মন্ত্ৰদণ্ড খহি পৰিল আৰু তৎক্ষণাৎ তাৰ মন্ত্ৰগৃহটো উৰি আহি বিলৰ অৰ্থাৎ হ্ৰদৰ সোঁমাজত পোত খাই পৰিল।

শংখতান্ত্ৰিক পাহাৰপৰা বাগৰি পৰোঁতে তাৰ প্ৰকাণ্ড মূৰটো তলমুৱা আৰু হাতভৰি ওপৰমুৱা হৈ আছিল। [অহা সংখ্যাত



খ্যাতিৰ বিড়ম্বন

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গৈ, গছৰ ডালৰপৰা শ'টো নমাই আনি কান্ধৰ ওপৰ লৈ মৰিশালিলৈ গৈ থাকোঁতে শ'টোৰ মাজত থকা বেতালে ক'লে, "হে ৰজা, মানুহৰ মনৰ বুজ লোৱা প্ৰায় অসম্ভৱ। সেই কাৰণে, কত যে সংসাৰ-নাট সদায় অভিনীত হৈ আহিছে, তাৰ লেখ-জোখ নাই। উদাহৰণস্বৰূপে, মই তোমাক শ্ৰীপালৰ কাহিনী কওঁ শুনা। এই কাহিনী শুনি শুনি গৈ থাকিলে তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলেঃ

শীতল নামৰ -এজন মানুহে নিজ গাঁৱতে বেহা-বেপাৰ কৰি তাৰ পেট প্ৰৱৰ্তাইছিল। কিন্তু শীতল আছিল বৰ অবৈয়াল বিধৰ মানুহ। একেবাৰে যাক

'বেতাল-কথা'



বোলে ৰামগোঁৰাৰ। ৰাজধানীত এডোখৰ মাটি কিনি লৈ সি ঘৰ সাজিবলৈ মাটি খান্দি থাকোঁতে মাটিৰ তলত এখন সিংহাসন পালে। আৰু পাছত গম পালে যে এই সিংহাসন মন্ত্ৰশক্তিসম্পন্ন। এই সিংহাসনত বহি দিলেই তাৰ ভিতৰত মন্ত্ৰশক্তিৰ আবিৰ্ভাৱ হ'ব।

দেশৰ ৰজাই সিংহাসনৰ কথা জানিব পাৰি সিংহাসনখন ৰাজসভালৈ লৈ গ'ল। সিংহাসনখন চাবলৈ দেশৰ সকলো ঠাইৰপৰা দলে দলে মানুহ আহিছিল।

আৰু এদিন শীতলো গ'ল সিংহাসনখন দৰ্শন কৰিবলৈ। কিয়নো, গাঁৱত থাকি সিংহাসন সম্পৰ্কে শীতলে বহু ধৰণৰ কথা শুনিছিল। শুনি তাৰ মনত কৌতূহল জাগিল। সি শুনিছিল যে একাগ্ৰ চিতেৰে সিংহাসনখনলৈ চাই থাকিলে হেনো দেহত বিশেষ শক্তি সঞ্চাৰিত হয়। সাধাৰণ মানুহৰ পক্ষে এই সিংহাসনত উপবেশন কৰিবলৈ হ'লে ক'ব লাগে, 'হে শক্তি-ৰূপিনী, মই তোমাৰ ভৃত্যৰ দৰে। কেৱল তোমাৰ ক্ষমতাৰ উমান ল'বলৈহে মই এই সিংহাসনত বহিছোঁ, মোৰ মনত আন একো উদ্দেশ্য নাই ইত্যাদি।

শ্ৰীপাল আছিল শীতলৰ বন্ধু। তেওঁ ৰজাৰ অধীনত চাকৰি কৰিছিল। তেওঁ ৰজাক প্ৰতিদিন পুৰাণ পাঠ কৰি শুনাইছিল। সিংহাসন চোৱাৰ মনেৰে ৰাজধানীলৈ গৈ শীতল শ্ৰীপালৰ ঘৰতে আলহী হ'ল।

শ্ৰীপালে শীতলক ক'লে, "তুমি যদি কেৱল সিংহাসখন চাবলৈ আহিছা, তেনেহ'লে বৰ ভুল হ'ল তোমাৰ। এতিয়া ৰজাই যিসকলক যোগ্য বুলি ভাবে, কেৱল সেইসকলকহে তেওঁ সিংহাসনখন চোৱাৰ সুবিধা দিয়ে।"

"তেনেহ'লে ৰজাৰপৰা মোৰ কাৰণে তুমি অনুমতি লৈ আহাঁ।" শীতলে ক'লে।

এই কথাৰ উত্তৰত শ্ৰীপালে হাঁহি

মাৰি ক'লে, "চোৰাঁ শীতল, ৰজাৰ ওপৰত মোৰ ইমান প্ৰভাৱ নাই। মই ৰজাক কেৱল পুৰাণ পাঠ কৰি শুনাওঁ। তোমাৰ কথা তেওঁক কোৱাৰ সাহসো মোৰ নহ'ব।"

এই কথাৰ উত্তৰত শীতলে শ্ৰীপালক একো নক'লে। পাছদিনা শীতলে ৰাজধানীৰ অ'ত ত'ত ঘূৰি ঘূৰি সিংহাসন চোৰাৰ বিষয়ে বিভিন্ন মানুহৰ মতামত ল'লে। তেওঁলোকৰ মাজত বহুতেই ক'লে, "হাৰে! আপুনি শ্ৰীপালৰ বন্ধু যেতিয়া কিহৰনো চিন্তা? ৰজাই শ্ৰীপালৰ অনুৰোধ দলিয়াই পেলাব নোৱাৰে।"

শীতলে এইবোৰ কথা শ্ৰীপালক কোৱাত শ্ৰীপালে শীতলক ক'লে, "ৰাইজে মোৰ সম্পৰ্কে ভুল ধাৰণা পোষণ কৰিব বুলি তুমিও কৰিবানে?"

শীতলে ফটফটীয়াকৈ বুজি পালে যে শ্ৰীপালৰ দ্বাৰা তাৰ ইচ্ছা তথা উদ্দেশ্য পূৰণ নহ'ব। কিন্তু যিহেতু শীতল আছিল অতি গোঁৱাৰ, সিহেতু সি যেনেতেনে সিংহাসনখন চাবলৈ উঠি-পৰি লাগিল। সিংহাসনখন য'ত থৈ দিয়া হৈছিল, সেই ঘৰটোৰ প্ৰহৰীক শীতলে কথাটো ক'লেগৈ।

প্ৰহৰীয়ে শীতলক ক'লে, "ঠিক আছে, কাইলৈ আহিবা, মই তোমাক সিংহাসনখন চাবলৈ দিম। হ'বনে বাৰু?"



এই কথা শুনি শ্ৰীপাল দমি গ'ল। তেওঁ ভাবিলে: শীতলে গাঁৱলৈ উভতি গৈ সকলোটিক ক'ব যে—যিটো কাম মই কৰিব নোৱাৰিলোঁ, সেই কামটো এটা নগণ্য প্ৰহৰীয়ে কৰি দিলে। তেতিয়া গাঁৱত ভাবমূৰ্তি নষ্ট হ'ব মোৰ।

পাছদিনা, পুৰাণ পাঠ কৰি শুনোৱাৰ আগতে শ্ৰীপালে ৰজাক ক'লে, "তান্ত্ৰিকৰ সিংহাসন ৰক্ষা কৰাৰ বাবে আপুনি যিবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে, তাত ত্ৰুটি দেখা গৈছে। প্ৰহৰীহঁতৰ মাজত কিছুমানে এই সিংহাসন বাহিৰা মানুহক আপোনাৰ আদেশ বিনে দেখুৱায়।"



ৰজাই তৎক্ষণাৎ এজন অনুচৰক মতাই অনাই এই বিষয়ে কঠোৰতম ব্যৱস্থা ল'বলৈ আদেশ দিলে আৰু ক'লে, "মোৰ এই আদেশৰ কথা মহামন্ত্ৰীকো কোৱাঁগৈ।"

ৰজাই তেওঁৰ কথাত ইমান গুৰুত্ব আৰোপ কৰিব বুলি শ্ৰীপালে ভবা নাছিল। তেওঁ ৰংমনে ঘৰলৈ উভতি গ'ল ; কিন্তু শীতলৰ ঘুণাক্ষৰেও একো নক'লে।

ইপিনে শীতল গ'ল প্ৰহৰীৰ ওচৰলৈ। কিন্তু প্ৰহৰীয়ে ক'লে, "মোক মাফ কৰিব। এই বিষয়ত এতিয়া একমাত্ৰ মহামন্ত্ৰীয়েহে সহায় কৰিব পাৰিব।"

পাছদিনা ৰাতিপুৱা শীতল গ'ল মহামন্ত্ৰীৰ ঘৰলৈ। সি মহামন্ত্ৰীৰ ঘৰৰ দুৱাৰমুখত ৰ'লগৈ। মহামন্ত্ৰীৰ ঘৰৰপৰা ওলাই অহা সকলোটিকেই শীতলে প্ৰণাম কৰিবলৈ ধৰিলে। এই অভিনৱ অথচ বিসদৃশ ঘটনালৈ লক্ষ্য কৰি মহামন্ত্ৰীয়ে শীতলক মতাই নিয়ালে আৰু তাক তাৰ এই আচৰণৰ হেতুৰ কথা সুধিলে।

শীতলে মহামন্ত্ৰীক ক'লে, "মহামন্ত্ৰী, মই তান্ত্ৰিকৰ সিংহাসনখন এটিবাৰ চোৱাৰ মনেৰে বহু দূৰৰপৰা আহিছোঁ। আপুনি বিনে আন কোনেও মোৰ ইচ্ছা পূৰণ কৰিব নোৱাৰে। একমাত্ৰ মোৰ প্ৰতি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈহে মই তেনেকুৱা এক দৃশ্যৰ সৃষ্টি কৰিছিলোঁ।"

মহামন্ত্ৰীয়ে শীতলক সুধিলে, "ইয়াত তুমি ক'ত আছাহি ?"

শীতলে উৎসাহৰে কৈ উঠিল, "মোৰ বন্ধু শ্ৰীপালৰ ঘৰতে আছোঁহি।"

"তেনেহ'লে আৰুনো কি লাগিছে ? শ্ৰীপালে ৰজাক ক'লেই বন্দৱস্ত হৈ যাব, ৰজাই সানন্দে অনুমতি দিব।"

শীতলে বিমৰিষ ভাৱেৰে ক'লে, "কেৱল আপুনিয়েই নহয়, সকলোতে সকলোটিয়ে একবাক্যে এই একেই কথা কৈছে। কিন্তু মোৰ বন্ধু শ্ৰীপালে কয় যে ৰজাক এই কথা আনকি কোৱাৰ সাহসো হেনো

তেওঁৰ ন্যাই। এতেকে, হে মহামন্ত্ৰী, আপুনি যদি শ্ৰীপালক নিৰ্দেশ দিয়ে, তেনেহ'লে মোৰ ইচ্ছা পূৰণৰ উপায় ওলাব, মই মাত্ৰ এই এটি ইচ্ছা পূৰণৰ বাবেই ইমান দূৰৈৰপৰা ঢপলিয়াই আহিছোঁ।"

মহামন্ত্ৰী শীতলৰ কথাত সন্মত হ'ল। আৰু শীতলে খৰধৰকৈ বন্ধুৰ ঘৰলৈ উভতি গৈ বন্ধু শ্ৰীপালক মহামন্ত্ৰী-ঘটিত কথা-বোৰ বিবৰি, ক'লে, "শুনা, গাঁৱত মোক সকলোৱে গোঁৱাৰগোবিন্দ বুলি কয়। মই যি কামত ধৰোঁ, 'নকৰাকৈ নেৰোঁ।"

শ্ৰীপালে ভাবিলে ঃ এতিয়া মহামন্ত্ৰীৰ নিৰ্দেশমতে ৰজাক কৈ-মেলি যদি শীতলক সিংহাসন দেখুৱাৰ বন্দৱস্ত কৰি দিওঁ, তেনেহ'লে গাঁৱত মোৰ মান-সন্মান ক্ষুণ্ণ হ'ব, ৰাইজে মোক নমনা হ'ব। কিয়নো, মোৰ কথা ৰজাই গণে আৰু মানে বুলি ৰাইজে জানে। এতিয়া মন্ত্ৰীৰ কথাত শীতলৰ কামটো হোৱা হ'লে শীতলে গাঁৱলৈ গৈ মোৰ বিৰুদ্ধেহে মাত মাতিব। —এইবোৰ কথা চিন্তা কৰি শ্ৰীপালে পাছদিনা মহামন্ত্ৰীৰ সৈতে সাক্ষাৎ কৰি মহামন্ত্ৰীক ক'লেগৈ, "মহামন্ত্ৰী, আপুনি হেনো শীতলক তান্ত্ৰিক-সিংহাসন দেখুৱাব বুলি প্ৰতিশ্ৰুতি দিলে। কিন্তু এই সিংহাসন চোৱাৰ পাছত শীতলৰ যদি কিবা অনিষ্ট হয়, বা শীতলৰ দ্বাৰা সিংহাসনৰ যদি কিবা অনিষ্ট হয়, তাৰ কাৰণে কিন্তু আপুনি দায়ী হ'ব।"

শ্ৰীপালৰ কথা শুনি মহামন্ত্ৰীয়েও প্ৰমাদ গণিলে। তেওঁ ভাবিলে ঃ এই শীতল নামৰ মানুহজন বোধকৰোঁ সাধাৰণ মানুহ নহয়। সি সিংহাসনৰ অনিষ্টো কৰিব পাৰে। নহ'লে—শ্ৰীপালে কিয় তাৰ বন্ধুক সিংহাসন নেদেখুৱাব? নিশ্চয় কিবা কথা আছে। কিবা কথা নথকাহেঁতেন, মোক নোসোধাকৈয়ো শ্ৰীপালে তাৰ বন্ধুক তান্ত্ৰিক-সিংহাসন দেখুৱাব পাৰিলেহেঁতেন। —এনেবোৰ

কথা ভাবি মহামন্ত্ৰীয়ে শ্ৰীপালক ক'লে, "চোৱাঁ শ্ৰীপাল, শীতল হ'ল তোমাৰ বন্ধু। তুমি যদি তেওঁক সিংহাসন দেখুৱাবলৈ আপত্তি দৰ্শাইছা—নিশ্চয় তাৰো কিবা কাৰণ আছে। গতিকে, ময়ো মোৰ কথা প্ৰত্যাহাৰ কৰি লৈছোঁ।"

শ্ৰীপালে ঘৰলৈ উভতি গৈ শীতলক ক'লে, "চোৱাঁ শীতল, মহামন্ত্ৰীৰ লগত তোমাৰ কী কথা হৈছিল, ক'ব নোৱাৰোঁ। পিছে—অনুমতি পোৱা নগ'ল।"

এই কথা শুনি শীতল দমি গ'ল। সি, তৎক্ষণাৎ মহামন্ত্ৰীৰ ঘৰলৈ গ'ল আৰু মহামন্ত্ৰীক ক'লে, "আপুনি অনুমতি দিয়া নাইনে মহামন্ত্ৰী ডাঙৰীয়া?"

"চোৱাঁ শীতল, তুমি হ'লা আমাৰ শ্ৰীপালৰ পৰম বন্ধু। তুমি যদি তান্ত্ৰিক-সিংহাসন চাব খোজা, আৰু তোমাৰ বন্ধুৱে যদি বাধা দিয়ে—মই কি কৰিম? কিয় ক'ব নোৱাৰিম, তোমাৰ বন্ধুৱেহে তোমাৰ ইচ্ছা পূৰণৰ বাটত বিধিপথালি দিছে।" মহামন্ত্ৰীয়ে স্পষ্টকৈ কৈ দিলে।

মহামন্ত্ৰীৰ কথা শুনি শীতল তলমূৰ হৈ গুচি গ'ল। সি শ্ৰীপালক ক'লেগৈ, "বন্ধু, মই গাঁৱলৈ যাওঁগৈ এতিয়া।"

"চোৱাঁ শীতল, গোঁৱাৰামীৰে সকলো কাম সমাধা নহয়। তান্ত্ৰিক-সিংহাসন চোৱাটো যে সম্ভৱ নহ'ব, তোমাক অথনিয়েই মই বুজাই কৈছিলোঁ, তুমি গোঁৱাৰামী কৰিলা।" শ্ৰীপালে ক'লে।

"কিন্তু তুমি মন কৰিলেই মোক দেখুৱাব পাৰিলাহেঁতেন।" শীতলে ক'লে।

"এই কাম যে মোৰ পক্ষে অসম্ভৱ, তাকো কৈছিলোঁ মই তোমাক।" শ্ৰীপালে শীতলক ক'লে।

"তোমাৰ পক্ষে সম্ভৱ নোহোৱাহেঁতেন মই দুখ নাপালোহেঁতেন।" পিছে—তোমাৰ লগত মোৰ পৰিচিতি আৰু তোমাৰ খ্যাতিহে মোৰ উদ্দেশ্যসাধনৰ অন্তৰায় হ'ল। ৰজাই তোমাৰ কথা

দলিয়াই নেপেনায় বুলি নোকোৱা এজন মানুহকো মই এইখন ৰাজধানীত লগ পোৱা নাই।” শীতলে ক’লে।

এই কথা শুনিয়েই শ্ৰীপালে শীতলক সিংহাসন দেখুৱাৰ বন্দৱস্ত কৰি দিলে।

এই কথা কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক’লে, “হে ৰজা, শ্ৰীপালৰ এই কাৰ্য্য সম্পৰ্কে তুমি কি ক’বা? শীতলক সিংহাসন দেখুৱাবলৈ ইমান বাধা দিয়াৰ পাছত হঠাৎ শ্ৰীপালে শীতলক সিংহাসন দেখুৱালে কেলেই? শীতলৰ কথা শুনি তাৰ এই পৰিৱৰ্তন কিয় ঘটিল? মোৰ প্ৰশ্নৰ উত্তৰ জানিও সঠিককৈ নিদিয়া যদি—তোমাৰ মূৰ ফাটি চাৰিফাল হ’ব বুলি নিশ্চয় জানি থ’বা।”

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক’লে, “শ্ৰীপাল আছিল কৰ্তব্যৰ প্ৰতি নিষ্ঠাৱান। এনেধৰণৰ মানুহে কেতিয়াও আনৰ আগত হাঁহিয়াতৰ পাত্ৰ হ’বলৈ নিবিচাৰে। শীতলৰ ইচ্ছা পূৰণৰ বাবে ৰজাক অনুৰোধ কৰিলে যদিহে ৰজাই সেই অনুৰোধলৈ কাণষাৰ নকৰা হয়—এই ভয় আছিল শ্ৰীপালৰ মনত আৰু সেই কাৰণেই শীতলক ইমানকৈ বাধা দিছিল। কিন্তু শীতলে যেতিয়া ক’লে যে শ্ৰীপালে তেওঁৰ খ্যাতিৰে শীতলৰ ক্ষতিসাধন কৰিলে, তেতিয়া হঠাৎ শ্ৰীপাল পৰিৱৰ্তিত হৈ পৰিল। নিজৰ খ্যাতিক আনৰ ক্ষতিৰ কাৰণে ব্যৱহাৰ কৰাৰ কথা শুনি তেওঁ বৰ লজ্জিত আৰু অনুতপ্ত হৈ পৰিল। তদুপৰি, শীতলৰ মাজত থকা গোঁৱাৰামী যে এক প্ৰকাৰে তেওঁৰ মাজতো বিদ্যমান সেই কথাটোও তনুভৱ কৰিলে তেওঁ। এই অনুভৱেই শ্ৰীপালক পৰিৱৰ্তিত কৰি তুলিছিল।”

এই কথা কোৱাৰ লগে লগেই বেতালে শ’টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ তৎক্ষণাৎ উভতি গ’ল। [কল্পিত



আন্তৰিকতা

ৰজা বিশাখদত্ত বহুদিন ধৰি ৰোগশয্যাত পৰি আছিল। এদিন সাঁজ লাগি ভগাৰ পাছত ৰাজধানীৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তিয়ে তেওঁক চাবলৈ আহি ক'লে, "মহাৰাজ আমি বিভিন্ন মন্দিৰৰ প্ৰসাদ লৈ আহিছোঁ, আপুনি এই প্ৰসাদ গ্ৰহণ কৰক।"

ঠিক তেতিয়াই ৰাজপ্ৰহৰীহঁতৰ বাধা নামানি গৰখীয়া ল'ৰা এটাই হেঁপাই-ফোঁপাই ৰজাক ক'লেহি, "মহাৰাজ, মই গৰখীয়া। মোৰ নাম গোপীনাথ। মই আপোনাৰ অসুখৰ কথা শুনি আমাৰ গাঁৱৰ গোসাঁনীক পূজা আগ কৰি সেই প্ৰসাদ আপোনাৰ কাৰণে লৈ আহিছোঁ। আমাৰ গাঁৱৰ গোসাঁনী অত্যন্ত জাগ্ৰত। এই গোসাঁনীৰ প্ৰসাদ খালেই অসুখ ভাল হৈ যায়।"

এই বুলি কৈ, গোপীনাথে তাৰ লেতেৰা টোপোলাটো খুলি প্ৰসাদ উলিয়াওঁতে ভেকেটা-ভেকেট গোন্ধেৰে কক্ষটো ভৰি পৰিল। তাত উপস্থিত থকা ব্যক্তিসকলে নাক কোঁচালে দুৰ্গন্ধৰ বাবে। ৰজাই কিন্তু প্ৰসাদ ল'লে আৰু তেওঁৰ নিজৰ ডিঙিত থকা মূল্যবান হাৰডাল গোপীনাথলৈ উপহাৰ দিলে।

গোপীনাথ গুচি যোৱাৰ পাছত বিশিষ্ট ব্যক্তিসকলৰ মাজত এজনে ৰজাক সুধিলে, "এই দুৰ্গন্ধযুক্ত প্ৰসাদৰ বাবে মহামূল্য হাৰডাল উপহাৰ দিয়াৰ হেতু—?"

ৰজা বিশাখদত্তই ক'লে, "এই প্ৰসাদ দুৰ্গন্ধযুক্ত, ঠিকেই। কিন্তু ল'ৰাটোৰ মন সুগন্ধেৰে ভৰপূৰ। তাৰ ঘৰ ইয়াৰপৰা বহুদূৰ, মই জানো। সিমান দূৰৰপৰা সি এই দুৰ্গন্ধযুক্ত প্ৰসাদ লৈ আহিছে, কিয়নো, সি মনে-চিতে বিশ্বাস কৰিছে যে এই প্ৰসাদ খালেই মোৰ অসুখ ভাল হৈ যাব। তাৰ এই অকৃত্ৰিম আন্তৰিকতাক মই নশলাগি নোৱাৰোঁ।"

A—26

মৰমেই ধৰম

মন্দাকিনী নৈৰ তীৰত অৱস্থিত মৰকতপুৰ নামৰ গাঁৱত মালৱিকা নামৰ এগৰাকী যুৱতী আছিল। মালৱিকা আছিল নৰ্তকী। এই গাঁৱৰ গোসাঁনী মন্দাকিনী-দেৱীৰ উৎসৱ বছৰি এবাৰকৈ মহাধুম-ধামৰে পতা হৈছিল। এই উৎসৱত নৃত্য প্ৰদৰ্শন কৰি মালৱিকাই উৎসৱৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। তাইৰ নৃত্য চাবলৈ দূৰ-দূৰণিৰপৰা মানুহ-মুনিহ আহিছিল।

কিন্তু এবছৰ অসুস্থ হোৱাত মালৱিকাই নাচিব নোৱাৰিলে, উৎসৱ নজমিল।

উৎসৱ শেষ হৈ যোৱাৰ পাছদিনা মানুহে কোৱাকুই কৰি থাকিল, "মালৱিকাৰ নাচ নহ'লে উছৱ পতাৰ কোনো অৰ্থ নাই।"

এনেবোৰ কথা শুনি মালৱিকাৰ মনত আনন্দৰ জোৱাৰ উঠিল।

চাওঁতে চাওঁতে এটা বছৰ উকলি গ'ল। যথাৰীতি উছৱৰ কৰ্মকৰ্তাসকলে মালবিকাক ক'লেগৈ উছৱত তাইক নৃত্য প্ৰদৰ্শন কৰাৰ বাবে।

মালৱিকাই তেওঁলোকক ক'লে, "আপোনালোকৰ ওচৰত মোৰ এষাৰ ক'বলগীয়া আছে। প্ৰতি বছৰত মোক যি মাননী দিয়ে, এই বছৰ তাৰ দুগুণ দিব লাগিব। নহ'লে মোৰ পক্ষে নৃত্য প্ৰদৰ্শন কৰা সম্ভৱ নহ'ব।"

মালৱিকাৰ কথা শুনি উছৱৰ কৰ্ম-কৰ্তাসকলৰ মুখৰ মাত হৰিল। মালৱিকাই তেওঁলোকক এইবাৰ বহিবলৈকো পীৰা নিদিলে, তদুপৰি এইবোৰ কথা ক'লে! তেওঁলোক একেবাৰে বিমূঢ় হৈ পৰিল।

নিৰ্মল ভট্টাচাৰ্য্য

তেওঁলোকলৈ চাই চাই মালৰিকাই ভাবিলেঃ কীনো নতুনকৈ জনাবা মোক। উছৱ জমাবলৈ হ'লে মোক লৈ যাব লাগিব, আৰু লৈ যাবলৈ হ'লে দুগুণ ধনো দিব লাগিব। নহ'লে যোৱাবাৰৰ দৰে এইবাৰো উছৱ—খতম।

উছৱৰ কৰ্মকৰ্তাসকল বেছ বিমোৰত পৰিল। কেনেকৈ কী যে কৰিব, ক'ৰপৰা মালৰিকাক দুগুণ ধন দিব—ভাবি ভাবি তেওঁলোকৰ মূৰেদি ধনঞ্জয়বায়ু ওলাল। ইপিনে মালৰিকাক নানিলেওচোন নহ'ব। অতঃপৰ—বেছিকৈ দান-বৰঙণি তোলাৰ অনুমতি বিচাৰি তেওঁলোক কেইবাজনো মিলি ৰজাৰ কাষ চাপিল।

মৰকতপুৰৰ মন্দাকিনী-উছৱৰ সম্পৰ্কে স্বয়ং ৰজাও আছিল যথেষ্ট আগ্ৰহী। আৰু, এইবাৰ, মালৰিকাৰ নৃত্য চাবলৈকো তেওঁ মন মেলিছিল। কৰ্মকৰ্তাসকলৰপৰা মালৰিকাৰ কাহিনী শুনি ৰজাই কৰ্ম-কৰ্তাসকলক ক'লে, "ৰাইজৰপৰা অধিককৈ দান-বৰঙণি খোজাৰ আৱশ্যক নাই। আপোনালোকে আগতে মালৰিকাক এশ এটকাকৈ দিছিল, এইবাৰ দুশ এটকা দিব লাগিব। তাৰ মানে—এশ টকাৰ নাটনি। এই এশ টকা মই দিম। কিন্তু এটা কথা আছে। মালৰিকাৰ নৃত্য আৰম্ভ হোৱাৰ আগতে এগৰাকী সাধুৱে দৰ্শকৰাইজলৈ কিবাকিবি ক'ব। তেওঁৰ কাৰণে অলপ সময় দিব লাগিব।"

উছৱ পতা হ'ল। মালৰিকাও যথাৰীতি আহিল। ৰজাই পঠোৱা সাধুৱে মালৰিকাৰ নৃত্য আৰম্ভ হোৱাৰ আগতে ভাষণ দিবলৈ ধৰিলে। ভাষণৰ শেষৰ ফালে সাধুৱে ক'লে, "মৰমৰ আন এক ৰূপ হ'ল দয়া বা কৰুণা। বিশেষকৈ, নাৰীসকলক হ'ব লাগে এই দয়া বা কৰুণাৰ প্ৰতিমূৰ্তি। নাৰী হ'ল সৃষ্টিৰ আধাৰ। যেতিয়া এটি শিশুৰ জন্ম হয়, তেতিয়া, সেই নৱজাত শিশুটিৰ হাঁহিয়ে

পৃথিৱীখনকে আমোদিত কৰি তোলে। এবাৰ কথা কওঁ—নাৰীৰ নিজৰ সন্তানে যেতিয়া কয়, 'মা, তুমি কালি ঘৰত নাছিলা, মই ভয় খাইছিলোঁ। তুমি থাকিলেহে মোৰ ভয়-ডৰ নোহোৱা হয়'। সন্তানৰ এই কথা শুনি প্ৰতিগৰাকী মাতৃয়ে ভাল পায়, তেওঁ ভাবে, পোনাটোক এৰি থৈ ক'লৈকো মই নাযাওঁ। এয়া হ'ল মাতৃৰ স্বাভাৱিক কৰ্তব্য। একেদৰেই কোনোবা স্বামীয়ে তেওঁৰ পত্নীক যেতিয়া কয়, 'তুমি ঘৰত নাথাকিলেই মোৰ কষ্ট। তুমি মাৰ ঘৰলৈ যোৱা যদি যোৱা—পিছে সোনকালে ঘুচি আহিবা'। এই কথা শুনি যিকোনো পত্নীৰ হিয়া পমি যায়, তেওঁ যিমান সোনকালে সম্ভৱ উভতি অহাৰ কথা ভাবি থাকে, আৰু উভতি আহে। এইবোৰ ঘটনাৰ গুৰিত কী আছে? আছে—প্ৰেম, প্ৰীতি, মৰম আৰু গভীৰ মমত্ববোধ। এই মমত্ববোধেই হ'ল অমূল্য ধন। সন্তানৰ প্ৰতি মাতৃৰ, স্বামীৰ প্ৰতি পত্নীৰ এই যে সুগভীৰ মমত্ববোধ — ইয়াক ধনেৰে কিনিব পাৰিনে? নোৱাৰি। কোনোবা বা কোনোবাজনীৰ প্ৰতি যদি ৰাইজৰ প্ৰাণত এনেহেন গভীৰ মৰম-চেনেহ থাকে, আৰু সেইজন বা সেইজনীয়ে যদি সেই মৰমৰ পৰিৱৰ্তে অধিককৈ ধনৰ দাবী জনায়—সেই দাবী জনোৱাটো উচিতনে বাৰু?"

হঠাৎ সাধুৰ চৰণত ধৰি সাষ্টাংগে প্ৰণাম কৰি মালৱিকাই সাধুক ক'লে, "প্ৰভু, ইমানদিন ধৰি মই নিমজ অন্ধকাৰত আছিলোঁ। আপোনাৰ অমৃতবাণী শুনি, আজি মই জীৱনৰ অৰ্থ বিচাৰি পালোঁ।"

মালৱিকাৰ কথা শেষ হোৱাৰ লগে লগেই ছদ্মবেশী সাধুৱে তেওঁৰ গৈৰিক সাজ-পাৰ আৰু দাড়িকোচা সোলোকাই পেলালে। সকলোৱে সবিস্ময়ে দেখিলে, স্বয়ং ৰজা কৃষ্ণদেৱক। ৰজা কৃষ্ণদেৱে মালৱিকাক ক'লে, "মালৱিকা, তোমাৰ নৃত্যৰ প্ৰশংসা মই বহু দিন ধৰি শুনি আহিছোঁ। আনকি তোমাক ৰাজনৰ্তকী ৰূপে ৰাজসভালৈ নৈ যোৱাৰ কথাটোও সম্প্ৰতি মই ভাবি আছিলোঁ। ঠিক তেতিয়াই এই উৎসৱৰ কৰ্মকৰ্তাসকল মোৰ কাষ চাপিল আৰু তুমি এইবাৰ দুগুণ অৰ্থ খোজাৰ কথা তেওঁলোকে মোক ক'লেগৈ। যোৱা বছৰত তোমাৰ নৃত্যানুষ্ঠান নথকাত উৎসৱ আকৰ্ষণহীন হৈ পৰিছিল। ৰাইজে তোমাৰ নৃত্য চাই ভাল পায়, তোমাকো ভাল পায়— এই কথা শুনাৰ পাছত তোমাৰ অহংকাৰ বাঢ়ি গ'ল। তোমাৰ অহংকাৰৰ ফলত উছৱৰ কৰ্মকৰ্তাসকল বিমোৰত পৰিল। এইবোৰ কাৰণতেহে মই সাধুৰ ছদ্মবেশ ধাৰণ কৰি ইয়ালৈ আহিছিলোঁ। অৱশ্যে —তোমাৰ নৃত্য চোৱাৰ আগ্ৰহো মোৰ আছিল, আৰু এতিয়াও আছে।"

ৰজাৰ কথা শুনি মালৱিকা পৰম আনন্দিত হ'ল। তাই এই বছৰতো আগৰ দৰেই মাননী লোৱা হ'ল। তাৰ পাছত মালৱিকাক ৰজা কৃষ্ণদেৱে ৰাজনৰ্তকী ৰূপে আদৰি লৈ গ'ল ৰাজপ্ৰাসাদলৈ। কিন্তু ৰাজনৰ্তকী হোৱা সত্বেও মালৱিকাই মৰকতপুৰ গাঁৱৰ মন্দাকিনী-উছৱলৈ প্ৰতি বছৰতে সাগ্ৰহে ভাগ লৈছিল আৰু নৃত্য প্ৰদৰ্শন কৰিছিল।

সন্ন্যাসী-২

[যোৱাৰ সংখ্যাৰ পৰৱৰ্তী অংশ]

এই ঘটনাৰ পাছৰেপৰাই মহাজনকৰ মনত সন্যাসী হোৱাৰ প্ৰবল আকাংক্ষ্যা জাগিল। ৰাজপ্ৰাসাদত থাকিও তেওঁৰ মনৰপৰা সমস্ত আনন্দ, সুখ আদিৰ অনুভূতি নোহোৱা হৈ পৰিল। চাওঁতে চাওঁতে এইদৰে চাৰিমাহ পাৰ হ'ল।

মহাজনকে ৰাজপ্ৰাসাদৰ লিগিৰা এজনক গৈৰিকবস্ত্ৰ আৰু মাটিৰ পাত্ৰ লৈ আহিবলৈ ক'লে। তাৰ পাছত তেওঁ নাপিতক মতাই অনাই মূৰৰ চুলি খুৰাই পেলালে।

আৰু পাছদিনা, গৈৰিকবস্ত্ৰ পিন্ধি, মাটিৰ পাত্ৰ সোঁ হাতত লৈ, বাঁও হাতত লাঠি এডাল লৈ, ওলাই যাবলৈ ধৰিলে।

ৰজা মহাজনক যে সন্যাসী হৈ ৰাজসুখে পৰিত্যাগ কৰি ওলাই গ'ল ৰাজপ্ৰাসাদ এৰি—তেতিয়াহে গম পালে সকলোৱে। ৰাণী শিৱালীয়ে অন্যান্য ৰাণীকো লগত লৈ সন্যাসীৰূপী ৰজাক লগ ধৰি প্ৰাসাদলৈ উভতি আহিবলৈ অনুৰোধ কৰিলে, কিন্তু তাৰে একো ফল নহ'ল।

ৰাণী শিৱলীয়ে সেনাপতিক মতাই অনাই ৰাজধানীৰ বিভিন্ন অঞ্চলত জুই লগাবলৈ ক'লে। মিথিলা নগৰীৰ বিভিন্ন অঞ্চলত জুই জ্বলি উঠিল। তেতিয়া শিৱলীদেৱীয়ে সন্যাসীৰূপীৰজাক ক'লেগৈ, "মহাৰাজ, আপোনাৰ পৰমপ্ৰিয় মিথিলা নগৰীৰ চাৰিওফালে জুই জ্বলিছে। আপুনি মিথিলাকৰক্ষানকৰিলে কোনেনোকৰিব?"

"ৰাণী, মোৰ এতিয়া একো নাই। যাৰ একো নাই, তাৰ হেৰুৱাবলগীয়াও

একো নাথাকে।” এই বুলি কৈ মহাজনক মিথিলানগৰী অতিক্রম কৰি গুচি গ’ল। কিন্তু তথাপি ৰাণী শিৱলী আৰু প্রজা-সকল মহাজনকৰ পিছে পিছে গৈয়েই থাকিল। হঠাৎ মহাজনকে ঘূৰি থিয় হৈ প্রজাসকললৈ সুধিলে, “এই নগৰৰ সৰ্বেসৰ্বা কোন?”

প্রজাবর্গই একেলগে একেবাক্যে কৈ উঠিল, “আপুনি, মহাৰাজ, আপুনি!”

“যদি সেয়ে হয়, তেনেহ’লে এই চিন পাৰ হৈ কোনো আগুৱাই নাহিবা।” এই বুলি কৈ মহাজনকে বাটত পথালিকৈ চিন অর্থাৎ দাগ এটা আঁকি দি, নিজে আগুৱাই গৈ থাকিল। এজন প্রজায়ো এই চিন পাৰ হৈ যাবলৈ সাহসী নহ’ল।

ৰাণী শিৱলীয়ে তেওঁৰ স্বামীৰ চৰণত ধৰি ক’লে “প্রজাসকলে যে ইমানকৈ দৌৰি আহিছে, আপোনাক ওভোতাই লৈ যাবলৈ যে আহাৰ-নিদ্রা বিসর্জন দিছে, তথাপি আপোনাৰ প্রাণত তাৰ একো প্রতিক্রিয়া হোৱা নাইনে?”

“ৰাণী, মই সকলো আৰু সকলোকে ত্যাগ কৰি আহিছোঁ। কেৱল তেওঁলোকক বা তোমাক নহয়, মই মোৰ বন্ধু-বান্ধৱ, আত্মীয়-স্বজন, দেশ-নগৰ—সকলো ত্যাগ কৰি গুচি যাবলৈহে ওলাইছোঁ।” মহাজনকে ক’লে।

“আপুনি মোকো পৰিত্যাগ কৰি গুচি



যায় যদি—মোৰ কী অৱস্থা হ'ব? মোক কোনে ৰক্ষা কৰিব?" ৰাণীয়ে সুধিলে।

"তোমাৰ পুত্ৰৰ যোগেদি তুমি দেশ শাসন কৰি থাকাঁ। পুত্ৰই যাতে কোনো-দিনে পাপ কাৰ্য্য নকৰে, তালৈ লক্ষ্য ৰাখিবা।" এনেবোৰ বাক্যালাপ কৰি থাকোঁতেই বেলি মাৰ গ'ল। বাধ্যত পৰি সেই অঞ্চলতে ৰাণী আৰু প্ৰজাবৰ্গয়ো ৰাতি কটালে। ৰাতিপুৱা মহাজনকে পুনৰ খোজ ল'লে। ৰাণীয়ে তেওঁৰ স্বামী মহাজনৰ লগে লগে খোজ কাঢ়ি আছিল। আৰু এইদৰে বাটকুৰি বাই তেওঁলোকে আন এখন নগৰ পালেগৈ।

এই নগৰৰ প্ৰবেশদ্বাৰত কেইটিমান শিশুৱে খেলি আছিল। এজনী ছোৱালীয়ে কিবা যেন কৰি আছিল। তাইৰ এহাতত আছিল দুডাল চুৰী, আৰু আন হাতখনত আছিল এডাল চুৰী। যিখন হাতত দুডাল চুৰী আছিল, সেইখন হাতৰপৰা ৰুণজুনকৈ শব্দ উঠি আছিল।

মহাজনকে সেই সৰু ছোৱালীজনীক সুধিলে, "তোমাৰ ইখন হাতত শব্দ উঠা নাই; সিখন হাতত শব্দ উঠিছে কিয়?"

ছোৱালীজনীয়ে ক'লে, "এডাল চুৰী থকা হাতখনত উঠা নাই; কিন্তু দুডাল চুৰী থকা হাতত শব্দ উঠিছে। এই শব্দ অৰ্থহীন।"

মহাজনকে শিৱলীদেৰীক ক'লে,

"ছোৱালীজনীয়ে কোৱা কথাষাৰ শুনিলানে? অন্ধ চুৰী এডাল থকা কাৰণেহে হেনো অৰ্থহীন শব্দ উঠিছে। তুমি মোৰ লগতে থাকা যদি, তেনেহ'লে ছোৱালীজনীৰ কথাৰ অৰ্থ তুমি ধৰিব পৰা নাই বুলিহে ভাবি ল'ব লাগিব।"

ৰাণীয়ে আন একো নকৈ মহাজনকক আগবাঢ়ি যাবলৈ দিলে। কিন্তু পাছ-মুহূৰ্ততে পুনৰ স্বামীৰ লগে লগে গৈ থাকিল। কিছুদূৰলৈ আগুৱাই যোৱাৰ অন্তত এঠাইত এখন কমাৰশালত কমাৰে এটা চকু মুদি বনাবলৈ ধৰা কাঁড় এটালৈ বাৰে বাৰে লক্ষ্য কৰি আছিল।

মহাজনকে কমাৰক সুধিলে, "হেৰাহে, তোমাৰ দুটা চকুৰেই আছে দেখোন। তেনেহ'লে—এটা চকু মুদি কাঁড়পাট দেখিছানো কিয়?"

"কাঁড়পাট পোন হ'লনে নাই—সেই কথা দুটা চকুৰে চালে বুজি পাম কেনেকৈ? সঠিককৈ দেখাৰ বাবেহে এটা চকু মুদি দিব লাগে।" কমাৰে ক'লে।

তেতিয়াহে ৰাণীয়ে গভীৰভাবে উপলব্ধি কৰিলে যে ৰজাক মিথিলালৈ ওভোতাই লৈ যোৱাৰ আশা আৰু নাই। এই কথা ভাবি ভাবি হঠাৎ ৰাণী শিৱলী মূৰ্ছিতা হৈ পৰিল।

অলপ সময়ৰ পাছত প্ৰজাবৰ্গই ৰাণীৰ চেতনা ঘূৰাই আনিলে। চেতনা ঘূৰাই পোৱাৰ পাছত ৰাণী শিৱলী পুনৰ মিথিলানগৰীলৈ উভতি আহিল আৰু তেওঁ তেওঁৰ পুত্ৰ দীৰ্ঘায়ুক ৰজা পাতি দেশ-শাসনৰ দায়িত্ব দিলে। ৰাণী শিৱলীয়ে নিজৰ কাৰণে উদ্যানত এটা পঁজাঘৰ সাজি সেই কুটীৰত তাপসীৰ জীৱন যাপিবলৈ ধৰিলে।

মহাজনক হিমালয়লৈ গ'ল। হিমালয়ত দীৰ্ঘকাল ধৰি কঠোৰ তপস্যা কৰি মহাজনকে সিদ্ধি লাভ কৰিছিল।

আমাৰ দেৱালয়

বদ্ৰীনাথ-কেদাৰনাথ

সুপ্ৰাচীনকালৰেপৰাই ভাৰতীয়সকলে হিমালয়ক পৱিত্ৰ পৰ্বত ৰূপে আদৰে। মহাকবি কালিদাসে হিমালয়ক দেৱতাত্মা ৰূপে বৰ্ণাইছে। আমাৰ প্ৰাণদায়ী নৈসমূহৰ উৎস হিমালয়।

যুগ যুগ ধৰি অসংখ্য সাধু-সন্যাসীয়ে হিমালয়ক তেওঁলোকৰ ধ্যানস্থান ৰূপে বাছি লৈছে। এই বিৰাট পৰ্বতশ্ৰেণীৰ ওপৰত বহু সংখ্যক তীৰ্থস্থান আছে।



হিমালয়ৰ বুকুত থকা তীৰ্থস্থান মাজত বদ্ৰীনাথেই হ'ল শ্ৰেষ্ঠ তীৰ্থস্থান। এই বিষ্ণুক্ষেত্ৰত থাকিয়েই মহৰ্ষি ব্যাসে মুখেৰে কৈ যোৱা মহাভাৰত নামৰ পৱিত্ৰ গ্ৰন্থখন গণেশে লিখিছিল।



বহু বছৰৰ আগতেই বদ্ৰীনাথৰ বিষ্ণু-মন্দিৰ নিৰ্মিত হৈছিল। কিন্তু পৰ্বতত কাট মেলাত সুপ্ৰাচীনকালৰ মন্দিৰ ধ্বংস হৈ গ'ল আৰু প্ৰাচীন বিগ্ৰহ পৰিলগৈ অলকানন্দা নৈৰ বুকুত।

ভাৰত ভ্ৰমি থকা আদিশংকৰগণে এই স্থল পৰিদৰ্শন কৰিছিল। তেওঁলোকে ধ্যানৰ যোগেদি সেই বিষ্ণুমূৰ্তি আৱিষ্কাৰ কৰি নৱ-নিৰ্মিত মন্দিৰত বিষ্ণুমূৰ্তিৰ পুনঃ প্ৰতিষ্ঠা কৰিছিল।



আদিশংকৰগণে কৰি থৈ যোৱা ব্যৱস্থা অদ্যাপি চলি আছে। এসময়ত খোজ কাঢ়ি এই মন্দিৰ দৰ্শনলৈ আহিবলগীয়া হৈছিল। এতিয়া তীৰ্থযাত্ৰীৰ বাবে যানবাহনৰ ব্যৱস্থা কৰা হৈছে।

অতিৰিক্ত তুষাৰপাতৰ ফলত বছৰেকত ছমাহলৈ এই মন্দিৰৰ দুৱাৰ বন্ধ হৈ থাকে। তেতিয়া মন্দিৰৰ পূজাৰী, ভক্তসৱৰ মাজত কোনো তালৈকে যাব নোৱাৰে। কিন্তু যোশীমঠত থকা বিগ্ৰহৰ প্ৰতিমূৰ্তি তেতিয়াও পূজিত হয়।



এই মন্দিৰ এৰি সমতললৈ নামি অহাৰ আগতে মন্দিৰৰ পূজাৰীয়ে বিগ্ৰহৰ আগত এটি চাকি জ্বলাই থৈ আহে। জহকালি পুনৰ যেতিয়া মন্দিৰৰ খোলা হয়, সেই পবিত্ৰ চাকি তেতিয়ালৈকো জ্বলি থাকে।

সাগৰপৃষ্ঠৰপৰা ১১৭৩৫ ফুট উচ্চতাত অৱস্থিত কেদাৰনাথ মন্দিৰ। এই মন্দিৰ হ'ল শিৱমন্দিৰ। কেদাৰনাথলৈ যোৱাৰ অপৰিসীম কষ্ট সহ কৰিও হাজাৰ-বিজাৰ ভক্তৰ তাত সমাগম ঘটে।



এয়ে হেনো মহাপ্ৰস্থানৰ পথ। এই
পথতে দ্ৰৌপদীৰ মৃত্যু ঘটিছিল।
তাৰ পাচত খোজ কঢ়াৰ কষ্ট সহিব
নোৱাৰি সহদেৱেও এই পবিত্ৰ কেদাৰ-
নাথৰ ওচৰত দেহত্যাগ কৰিছিল।

ৰুদ্ৰহিমালয় নামৰ ঠাইত শিৱ দৰ্শনৰ
অন্তত ধৰ্মৰাজ যুধিষ্ঠিৰে শিৱ-পূজা
কৰিছিল। তেতিয়াৰেপৰাই কেদাৰ-
নাথত শিৱপূজা চলি আহিছে।

বদ্ৰীনাথৰ দৰে কেদাৰনাথৰ মন্দিৰো
বছৰেকত ছমাহ বন্ধ থাকে। তেতিয়া
কেদাৰৰ শিৱ-বিগ্ৰহৰ প্ৰতিমূৰ্তি
উখীমঠ নামৰ ঠাইত পূজিত হয়।

ৰজা হোৱাৰ মজা

উজবেকিস্তানৰ নগৰ এখনত কামাল-উদ্দীন নামৰ এজন ছুলতান আছিল। তেওঁ আছিল বয়সত তৰুণ। তেওঁ সদায় নৃত্য-গীত-পান-ভোজনত মগ্ন আছিল।

এদিন ছুলতান কামালউদ্দীনক তেওঁৰ প্ৰধান ৱজীৰে ক'লে, "মহামান্য ছুলতান, চুবুৰীয়া ৰাজ্যৰ ছুলতানে আমাৰ ৰাজ্য আক্ৰমণ কৰিব বুলি আমাৰ চোৰাং-চোৱাহঁতে বাতৰি দিছে। এই আক্ৰমণ প্ৰতিৰোধৰ বাবে প্ৰস্তুতি ল'ব লাগিব।"

ছুলতানৰ কামালে ৱজীৰলৈ অৱজ্ঞাৰ দৃষ্টিৰে চাই হাঁহি মাৰি ক'লে, "আমাৰ সৈন্যবাহিনীত সৈন্যৰ অভাৱ নাই। আমাৰ সেনাপতিৰ বীৰত্বৰ কথা সকলোৱে জানে। এতেকে, আমাক আক্ৰমণ কৰাৰ সাহস কাৰো নহ'ব, আপুনি নিশ্চিত থাকক। মই এই কাল্পনিক আক্ৰমণলৈ ভীত নহওঁ। পিছে—আপোনাৰ ভীৰু-তাইহে মোক ভবাই তুলিছে।"

ৱজীৰে আন একো নক'লে, তলমূৰ হৈ তাৰপৰা গুচি গ'ল তেওঁ।

কিন্তু এটা সপ্তাহ পাৰ নহ'ল, চুবুৰীয়া দেশৰ সৈন্যই অতৰ্কিতে কামালউদ্দীনৰ ৰাজ্য আক্ৰমণ কৰিলে।

ছুলতান কামালে নিৰুপায়ত পৰি, ছদ্মবেশ ধাৰণ কৰি, গুপুত বাটেৰে প্ৰাসাদৰপৰা ওলাই গ'ল আৰু এগৰাকী বন্ধু ছুলতানৰ আশ্ৰয়ত লুকাই থাকিল।

এদিন ছুলতান কামালে তেওঁৰ বন্ধুক ক'লে, "দোস্ত, মোৰ ৰাজ্যৰপৰা শত্ৰুসৈন্যক খেদি দিয়া। তোমাৰ অসংখ্য সৈন্য আছে। তুমি তোমাৰ সৈন্যেৰে সহায় কৰিলে

মই মোৰ ৰাজ্য পুনৰুদ্ধাৰ কৰিব পাৰিম।"

ছুলতান কামালৰ দোস্ত ছুলতান হাবিব তৎক্ষণাৎ এই প্ৰস্তাৱত সন্মত হ'ল। তেওঁ ক'লে, "তুমি তোমাৰ ৰাজ্য পুনৰুদ্ধাৰ কৰিব খুজিছা, ইয়াতকৈ আনন্দৰ বিষয় আৰুনো কী হ'ব পাৰে?"

ছুলতান কামালউদ্দীন ৰাওনা হ'ল নিজৰাজ্য পুনৰুদ্ধাৰ কৰিবলৈ। তেওঁ বহুদূৰলৈ ঘোৰাৰ পাছত এজোপা বিৰাট গছৰ তলত থিয় হৈ হাবিবৰ সৈন্যইতক ক'লে, "তোমালোক সংখ্যাত অসংখ্য। তোমালোকেই মোৰ ৰাজ্যখন উদ্ধাৰ কৰি দিব নোৱাৰিবানে?"

হাবিব ছুলতানৰ সেনাপতি আগুৱাই গ'ল তেওঁৰ সৈন্যবাহিনীক লৈ আৰু ছুলতান কামালে তেওঁৰ ঘোঁৰাটোক গছৰ লগত বান্ধি থৈ ছেৰাপ খাই মতলীয়া হৈ বিজয় সংবাদলৈ বৈ থাকিল তাত। কিন্তু গধূলিৰ আগে আগে কামালউদ্দীনৰ নিচা টুটি গ'ল। হাবিব ছুলতানৰ এজন সৈন্যই তেওঁক খবৰ দিলেহি যে বাদবাকী সকলো সৈন্য আৰু সেনাপতিও ৰণত পৰিল। কিছুমান বন্দী হ'ল।

এই খবৰ পাই ছুলতান কামাল বিমূঢ় হৈ পৰিল। দোস্ত হাবিবক তেওঁ এই মুখ দেখুৱাবগৈ কেনেকৈ? তেওঁ বলিয়াৰ দৰে সেই ঠাই এৰি পলাই গ'ল। গৈ গৈ তেওঁ ছুলতান খদীদানৰ

ৰাজ্য পালেগৈ। তাত নিজৰ পৰিচয় গুপুতে ৰাখি, ছুলতান খদীদানৰ অধীনত প্ৰহৰী হিচাপে কাম ল'লে।

কিছুদিনৰ অন্তত ছুলতান কামালে ছুলতান খদীদানৰ দেহৰক্ষী হিচাপে নিযুক্ত হ'ল। দেহৰক্ষীৰ কাম কৰি থাকোঁতে কামালে দেশৰক্ষাৰ বিষয়ে বহুতো কথা জানিলে, শিকিলে। এদিন কামালে ভাবিলে ঃ ছুলতান খদীদানৰ যিমান সৈন্য আছে সিমান সৈন্য মোৰ থকাহেঁতেন মই মোৰ ৰাজ্য উদ্ধাৰ কৰিব পাৰিলোহেঁতেন।" এনেবোৰ কথা ভাবি ভাবি বৰ্ত্তমানে খদীদানৰ দেহৰক্ষী আৰু অতীতৰ ছুলতান কামালে হুমুনিয়াহ কাঢ়িছিল।

এনেতে হঠাৎ চুবুৰীয়া ৰাজ্যৰ ছুলতানে ছুলতান খদীদানৰ ৰাজ্য আক্ৰমণ কৰিলে। ছুলতান খদীদানে মুহূৰ্ত্তমান সময়ো নষ্ট নকৰি তেওঁৰ সৈন্যবাহিনী লৈ বিপুল বিক্ৰমৰে শত্ৰুসৈন্যহঁতৰ ওপৰত জঁপিয়াই পৰিল। খদীদানৰ সৈন্যবাহিনী আছিল বিৰাট, আৰু তেওঁৰ সেনাপতিও আছিল যুদ্ধনিপুণ। গতিকে, ছুলতান খদীদানে হেলাৰঙে শত্ৰুক খেদিব পাৰিলে তেওঁৰ ৰাজ্যৰপৰা।

পাছদিনা দেহৰক্ষী কামালে ছুলতান খদীদানক সুধিলে, "মহামান্য ছুলতান, আপোনাৰ বিৰাট সৈন্যবাহিনী আৰু সুদক্ষ সেনাপতি থকা সত্বেও আপুনি



বিপদৰ মাজত কিয় সোমাইছিলগৈ? আপুনি কিয় যুদ্ধ পৰিচালনা কৰিবলগা হ'ল—মই বুজা নাই।"

ছুলতান খদীদানে হাঁহি মাৰি কামালক ক'লে, "কেৱল বিৰাট সৈন্যবাহিনী আৰু দক্ষ সেনাপতি থাকিলেই নহ'ব, সৈন্যবাহিনীৰ মাজত বিৰাট উত্তেজনা সৃষ্টি কৰিবলৈ হ'লে ছুলতানেও যুদ্ধত ভাগ লাগিব। প্ৰাসাদত বহি বহি বিজয় অৰ্জিত নহ'বো পাৰে।"

ছুলতান খদীদানৰ বক্তব্য উপলব্ধি কৰি কামালউদ্দীন সিদিনাই ৰাতিৰ পৰতে নিজ ৰাজ্যলৈ বুলি ৰাওণা হ'ল। উপজি পুৱাতে কামালউদ্দীনে নিজৰ প্ৰাসাদৰ দুৱাৰমুখ পাই সোমাবলৈ ধৰোঁতেই বাধা পাই গৰ্জি উঠি ক'লে, "তোমালোকে মোক চিনি পোৱা নাইনে? মই ছুলতান কামালউদ্দীন।"

ঠিক তেতিয়াই প্ৰাসাদৰ আন এটা কক্ষত ছুলতান কামালউদ্দীনৰ বিশ্বস্ত অনুচৰ কেইজনমানে শত্ৰুক কেনেকৈ ৰাজ্যৰপৰা খেদি পুনৰ কামালউদ্দীনক ওভোতাই আনিব পাৰি—তাৰ আলোচনা কৰি আছিল। কিয়নো, তেওঁলোক নতুন ছুলতানৰ অত্যাচাৰেৰে জৰ্জৰিত হৈ পৰিছিল। হঠাৎ ছুলতান কামালউদ্দীনৰ কণ্ঠস্বৰ শুনি তেওঁলোক কক্ষৰপৰা ওলাই আহিল, আৰু কামালক এক গোপন কক্ষলৈ লৈ গ'ল।

তাৰ পাছত কামালউদ্দীনে ছদ্মবেশ ধাৰণ কৰি, প্ৰায় কোনেও নজনাকৈ এক সৈন্যবাহিনী গঠন কৰি, ছুলতান খদীদানৰ দৃষ্টান্ত অনুসৰণ কৰি শত্ৰুক পৰাজিত কৰিব পাৰিছিল।

এই ঘটনাৰ পাছৰপৰা ছুলতান কামালউদ্দীনে ভোগ-বিলাস পৰিত্যাগ কৰি প্ৰজাৰ মংগলৰ বাবে কঠোৰ শ্ৰমেৰে ৰাজ্য-পৰিচালনা কৰিছিল।

আচল কথা বুধি

খেতিয়ক বলোৰামৰ আছিল দুহালিচামান মাটি আৰু এটা ল'ৰা। তাৰ নাম হৰি। সৰুৰেপৰাই হৰি আছিল এলেহুৱা। সি পঢ়া-লিখাও নকৰা হ'ল। আনকি যথেষ্ট ডাঙৰ হোৱা সত্বেও হৰি সৰুটো হৈয়েই থাকিল, একো পৰিৱৰ্তন নহ'ল তাৰ।

বলোৰামৰ নলেগলে লগা বন্ধু আছিল নৰাম। নৰাম ছোৱালীজনীৰ বিয়াৰ বয়স হোৱাত নৰামে দৰা বিচৰাত লাগিল। দৰা হিচাপে যাক বাছি-বিচাৰি উলিয়ালে, সি নগৰত চাকৰি কৰে। দৰাৰ বাপেকে ঢেৰ টকা দাবী কৰিলে যৌতুক হিচাপে। অগত্যা খেতিমাটি বেচি টকা যোগাৰ কৰিব বুলি ভাবিলে নৰামে। কিন্তু যিমানখিনি পাব বুলি ভাবিছিল খেতিমাটি বেচি, সিমানখিনি নোপোৱাত নৰাম চিন্তাত পৰিল। নৰামে তাৰ বন্ধু বলোৰামক ক'লেহি, "কি কৰোঁ কোৱাচোন, বিয়াৰ দিন-খেণ ঠিকঠাক হৈ গ'ল, কিন্তু মাটি বেচিব নোৱাৰিলোঁ।"

এই কথাৰ কি যে উত্তৰ দিব—বলোৰামে ভাবি উলিয়াব নোৱাৰিলে। হৰি তেতিয়া বিছনাত শুই আছিল। সি নৰামক কৈ উঠিল, "আপোনাৰ মাটি-খিনি জমিদাৰৰ মাটিৰ গাতে লগা। মাটি বেচাৰ কথা জমিদাৰক কৈ চাওক।"

হৰিৰ কথা শুনি নৰামে ভালেই পালে। সি তৎক্ষণাৎ জমিদাৰক কথাটো ক'লেগৈ। জমিদাৰে উচিত মূল্যৰে নৰামৰ খেতিমাটি কিনি ল'লে। তেতিয়া নৰামৰ আৰু একো অসুবিধা নাথাকিল।

ছোৱালীৰ বিয়া হৈ যোৱাৰ পাছত

হৰেশ্বৰ বৰগোহাঞি

এদিন নৰাম বলোৰামৰ ঘৰলৈ আহিল আৰু ইকথা-সিকথাৰ পাছত বলোৰামে কৈ উঠিল, "মোৰ ল'ৰাটো অপদাৰ্থ হৈয়েই থাকিল, সি যে কেনেকৈ জীৱন কটাব ভাবি পোৱা নাই।"

নৰামে খন্তেকমান মনে মনে থকাৰ পাছত ক'লে, "হৰি এলেহুৱা ঠিকেই, কিন্তু তাৰ বুদ্ধি নথকা নহয়। সি যে বুদ্ধিমত্তাৰে সমস্যাৰ সমস্যাৰ সমাধান কৰিব পাৰে, তাৰ প্ৰমাণ মই পাইছোঁ। তাৰ কথা মতে জমিদাৰক মাটি বেচি মই ভাল দামকে পাইছোঁ। এতিয়াৰপৰা হৰিৰ ভাল-বেয়াৰ দায়িত্ব মোৰ ওপৰত এৰি দিয়া, মই কি কৰিব পাৰোঁ চাওঁ।"

তাৰ পাছত নৰামে হৰিক টোপনিৰপৰা জগাই ক'লেগৈ, "হেৰাহে হৰি, ৰাইজে তোমাক ধোদৰ পচলা বুলি কোৱা তুমি শুনা নাইনে? শুনি তুমি বাৰু দুখ নোপোৱানে কি?"

হৰিয়ে বহু কষ্টেৰে চকুযুৰি মেলি পিতৃবন্ধু নৰামক ক'লে, "ৰাইজে যি কয়—মিছা কথা নহয়, সঁচা। মই যে এলেহুৱা, সেই কথা মই অস্বীকাৰ নকৰোঁ। মই সঁচাকৈয়েই কাম-বন একো নকৰোঁ।"

"কিন্তু মোৰ ধাৰণা—তুমি অতি বুদ্ধিমান ল'ৰা। মোৰ মাটি বেচাৰ বিষয়ত তুমি তেনেকৈ সহায় নকৰাঁহেঁতেন মই কিজানি বিপদতে পৰিলোহেঁতেন। তুমি এটা কাম নকৰা কিয়? —প্ৰতিজন মানুহৰ কিবা নহয় কিবা সমস্যা আছেই। তুমি যদি সমস্যাৰ সমাধান কৰি দিয়া—ৰাইজো উপকৃত হ'ব, আৰু তোমাৰো টকা-সিকা আয়-উপাৰ্জন নোহোৱাকৈ নাথাকিব।" নৰামে হৰিক ক'লে।

নৰামৰ কথা শুনি হৰিয়ে আকৌ শুই দিলে। সি নৰামক ক'লে, "আপুনি মিছামিছিকৈ মোৰ কথাত মূৰ নঘমাব। মোৰ মগজুত ঘিউ বোলা পদাৰ্থ নায়েই। মূৰত ভিতৰত আছে চব গোবৰখুটি।"

“তোমাৰ মগজুত ঘিউ আছেনে গোবৰখুটি—আমি নুবুজাকৈ থকা নাই নহয়। বাৰু, সামান্য কেইদিনমান মোৰ কথা মতে কাম কৰি চোৱাচোন—বেয়া পালে বন্ধ কৰি দিবা।” নৰামে ক'লে আৰু লগে লগে ফলি এখনত লিখিলে, ‘ইয়াত বিভিন্ন সমস্যা সমাধানৰ বাবে দিহা-পৰামৰ্শ দিয়া হয়’।

বাটৰুৱাসকলে এই অভিনৱ বিজ্ঞাপন পঢ়ি ভেবাচেকা খাই গ'ল। গাঁৱৰ ৰাইজে হাঁহি থাকিল। তেতিয়া হৰিয়ে নৰামক ক'লে, “খুৰা, আপুনি অকাৰণতে এইবোৰ উৎপতীয়া কাণ্ডবোৰ কৰিছে।”



এই বিজ্ঞাপন পঢ়ি সাতদিনৰ ভিতৰতো এজন মানুহো হৰিৰ কাষ নাচাপিল। কিন্তু হৰিয়ে এদিন বিজ্ঞাপন মচি দিবলৈ যো-যা কৰি থাকোঁতেই এজন গৰখীয়াই হৰিক সুধিলেহি, “ইয়াত কি কাম কৰা হয়?”

নৰামো তেতিয়া তাত বহি আছিল। নৰামে উৎসাহৰে সৈতে কৈ উঠিল, “ইয়াত বিভিন্ন সমস্যাৰ সমাধান কৰাৰ বাবে দিহা-পৰামৰ্শ দিয়া হয়। তোমাৰ যিকোনো সমস্যাৰ কথা আমাক ক'ব পাৰা, সমাধান কৰা হ'ব। মাননী হিচাপে যিমান পাৰা বা যিমান মন যায়—দিলেই হ'ব।”

গৰখীয়াই হাঁহি মাৰি ক'লে, “কিয়, ন্যায্য প্ৰাপ্যখিনিকে দিম। মোৰ এই ছাগলী আৰু ভেৰাবিলাকক সৌ পাহাৰটোৰ কাষত থকা চৰণীয়া পথাৰলৈ লৈ যাম মই। কিন্তু তাত কুকুৰনেচীয়াহঁতৰ বৰ উৎপাত। সদায় দুটা-তিনিটাকৈ মাৰি লৈ যায়। মই কেনেকৈ কি কৰিলে অত্যাচাৰৰপৰা ৰেহাই পাম ক'বনে?”

হৰিয়ে বিছনাত শুই শুয়েই গৰখীয়াক ক'লে, “তুমি এজোপা গছৰ ওপৰত বহি এটা ঢোল কোবালেই হ'ল, কুকুৰনেচীয়াহঁত সেই ঠাই এৰি পলাব।”

“বঢ়িয়া পৰামৰ্শ। আমি ইমান দিন



ধৰি ভাবিও এই বিৰাট সমস্যাৰ সমাধান কৰিব পৰা নাছিলোঁ।"

এই বুলি কৈ, গৰখীয়াই চাৰিঅনীয়া সিকি এটা মাননী হিচাপে নৰামৰ হাতত দি তাৰপৰা গুচি গ'ল।

গৰখীয়াই এই সৎপৰামৰ্শৰ কথা বহুতকে ক'লে। তাৰ ফলত কিছুদিনৰ পাছত ভালেমান মানুহে সমস্যাৰ সমাধান বিচাৰি হৰিৰ কাষ চপা হ'ল। তেওঁলোকে মাননী হিচাপে যেৰে যিমান পাৰিলে দি থাকিল। লাহে লাহে দহখন গাঁৱতে পৰামৰ্শদাতা হিচাপে হৰিৰ নাম বিয়পি পৰিল। কেইদিনমানৰ পাছত, এদিন চুবুৰীয়া গাঁৱৰ জমিদাৰে হৰিক মতাই নিয়ালে আৰু ক'লে, "পৰামৰ্শদাতা হিচাপে তোমাৰ নাম-ডাক শুনিছোঁ মই। মোৰ জোঁৱাই মদপী হৈ পৰিল। কেনেকৈ তাক এই লেতেৰা অভ্যাসৰপৰা মুক্ত কৰিব পাৰি ক'বানে।"

"আপুনি এটা কাম কৰক। কোনোবা এগৰাকী চিকিৎসকৰপৰা বমি হোৱাৰ দৰব লৈ আহকগৈ। মদৰ লগত সেই দৰব আপোনাৰ ছোৱালীক মিহলাই দিবলৈ কওক। সেই মদ খাই আপোনাৰ জোঁৱায়ে বঁতিয়াব আৰু বঁতিয়াই অচেতন হৈ পৰিব। তেতিয়া চিকিৎসক এজনক মাতি আনি দৰব খুৱালে তেওঁ পুনৰ সুস্থ হৈ উঠিব। কিন্তু চিকিৎসকগৰাকীয়ে আপোনাৰ জোঁৱাইক ক'ব লাগিব যে এই মদৰ লগত বিহ মিহলোৱা আছিল, আৰু আৰু অলপ খোৱাহেঁতেন তেওঁৰ মৃত্যু হ'লহেঁতেন। কথাষাৰ কিন্তু চিকিৎসকেহে ক'ব লাগিব।" হৰিয়ে পৰামৰ্শ দিলে জমিদাৰক।

হৰিৰ পৰামৰ্শমতে কাম কৰি জমিদাৰে ইমানে সুফল পালে যে তেওঁ হৰিক যথোপযুক্ত মাননী দিয়াৰ উপৰিও তাৰ কথা দেশৰ ৰজাকো ক'লেগৈ।

ঠিক তেতিয়াই ৰজাক মহেন্দ্ৰপালো

ৰৰ বিমোৰত পৰিছিল। প্ৰতিবেশী দেশৰ ৰজা বিক্ৰমবৰ্মাই ৰজা মহেন্দ্ৰপালৰ অসুস্থতাৰ বাতৰি পাই এই ছেগতে আক্ৰমণ কৰিবলৈ যো-জা কৰি আছিল। ৰজা মহেন্দ্ৰপাল তেতিয়া প্ৰকৃততেই শয্যাশায়ী হৈ পৰিছিল।

জমিদাৰৰ মুখৰপৰা হৰিৰ প্ৰশংসা শুনি ৰজা মহেন্দ্ৰপালে হৰিক মতাই অনাই তাৰপৰা এই আক্ৰমণৰ বিষয়ে পৰামৰ্শ খুজিলে।

হৰিয়ে ৰজা মহেন্দ্ৰপালক ক'লে, "মহাৰাজ, আপুনি অসুস্থ নহয়, অসুস্থতাৰ ভাও জুৰিছে—এই মৰ্মে চোৰাংচোৰাইঁতৰ হতুৱাই বিক্ৰমবৰ্মাৰ দেশত—তথা এই দেশতো প্ৰচাৰ কৰিব লাগিব। লগতে আৰু প্ৰচাৰ কৰিব লাগিব যে ৰাজপ্ৰাসাদত সদায় নৃত্য-গীত চলি আছে, আৰু আপুনিহে বিক্ৰমবৰ্মাৰ ৰাজ্য অতৰ্কিতে আক্ৰমণ কৰিবলৈ প্ৰস্তুতি চলাইছে।"

ৰজা মহেন্দ্ৰপালে তেতিয়াই হৰিৰ পৰামৰ্শমতে কাম কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰাৰ আদেশ দিলে।

আৰু এই বাতৰি পাই, প্ৰতিবেশী বিক্ৰমবৰ্মাই ৰজা মহেন্দ্ৰপালৰ ৰাজ্য আক্ৰমণ কৰাৰ ইচ্ছা পৰিত্যাগ কৰি নিজৰ ৰাজ্য ৰক্ষাৰ্থে মনোযোগী হৈ উঠিল। ইমান সহজভাৱে ইমান ডাঙৰ সমস্যাৰ সমাধান হ'ব পাৰে—ৰজা মহেন্দ্ৰপালে কল্পনাও কৰিব পৰা নাছিল। হৰিৰ পৰামৰ্শৰ ফলত তেওঁ এটা ভয়াবহ বিপৰ্য্যয়ৰপৰা ৰক্ষা পৰিল। তেওঁ হৰিক মতাই অনাই নিজৰ পৰামৰ্শদাতাৰ পদত নিযুক্তি দিলে।

দেশৰ ৰজাৰ পৰামৰ্শদাতাৰ পদ পোৱাৰ পাছত হৰিয়ে বিভিন্ন ধৰণৰ সমস্যা আৰু তাৰ সমাধানৰ বিষয়ত এখন বিৰাট গ্ৰন্থ লিখি উলিয়াইছিল।



তানপুৰা

কোনোবা এখন দেশত এজন তান্ত্ৰিক আছিল। তেওঁ বুঢ়া হৈ পৰিছিল। এই বুঢ়া বয়সত এখন দোকান পাতি তেওঁ কথমপি পেট প্ৰবৰ্তাইছিল। এই বুঢ়া যে তান্ত্ৰিক আছিল, এটি মাত্ৰ ল'ৰাইহে সেই কথাটো জানিছিল।

ল'ৰাটোৰ মাক নাছিল, দেউতাক তেওঁৰ কামলৈ গুলাই গৈছিল। তাৰ দেউতাকেই তাক এই তান্ত্ৰিকৰ দোকানত কামত লগাই দিছিল।

ল'ৰাটোৱে গ্ৰাহকহঁতক দোকানৰ সকলো বস্তু দেখুৱাইছিল; কেৱল এটা বস্তুহে বুঢ়া তান্ত্ৰিকে তাক দেখুৱাবলৈ মানা কৰিছিল। এই বস্তুটো আছিল এটা তম্বুৰা বা তানপুৰা।

এদিন ল'ৰাটোৱে বুঢ়াক সুধিলে, "ককা, বহুতেই এইটো কিনিবলৈ বিচাৰে। নেবেচা কিয়?"

"এইটোক মই নেবেচোঁ। তুমি ডাঙৰ হ'বা যেতিয়া, তোমাক মই দিম সেইটো। এই তম্বুৰাই গান গাব পাৰে, শুৱলা গান।" এই বুলি কৈ, বুঢ়াই তানপুৰাটোক গান গাবলৈ কোৱাৰ লগে লগে আপোনাআপুনি গান গাই থাকিল আৰু ল'ৰাটো অবাক হ'ল।

ল'ৰাটোৱে ভাবি আছিল: তম্বুৰাই নিজে নিজে নিজে গান গায় কেনেকৈ? নিশ্চয় এই বুঢ়া তান্ত্ৰিকে কোনোবাজনী দেৱকন্যাক তম্বুৰাটোৰ ভিতৰত বন্দী কৰি থৈছে। —এনেবোৰ কথা ভাবি ভাবি ল'ৰাটোৱে তম্বুৰাটো হাতেৰে দাঙি লৈছিল আৰু লগে লগে তম্বুৰাটোৱে

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

গীত গাইছিল। ল'ৰাটোৱে ভাবিছিল ঃ তম্বুৰাৰ ভিতৰত থকাজনীয়ে মোক নিশ্চয় ভাল পায়। ভাবি তাৰ ভাল লাগিছিল।

কিছুদিনৰ অন্তত ল'ৰাটোৱে তাৰ জন্মদিনত বুঢ়াক প্ৰণাম কৰিলে। বুঢ়াই ল'ৰাটোক আশীৰ্বাদ কৰি ক'লে, "বোপা, আজি মই তোমাক এই তম্বুৰাটো উপহাৰ দিম। তুমি তোমাৰ ইচ্ছামতে তম্বুৰাটোক ব্যৱহাৰ কৰিব পাৰিবা।" এই বুলি কৈ, বুঢ়াই তম্বুৰাটো ল'ৰাটোক দিলে।

ল'ৰটোৱে আচৰিত মানিলে। সি ক'লে, "ককা, তুমি এইটো—মোক—যাক বোলে—চিৰদিনলৈ দিলানে!"

বুঢ়াই হাঁহি হাঁহি কৈছিল, "হয় হয়, চিৰদিনৰ বাবে দিলোঁ তোমাক।"

এই কথা শুনি ল'ৰাটোৱে তম্বুৰাটোৰ-পৰা গান শুনিবলৈ বিচাৰিলে। লগে লগে তম্বুৰাৰপৰা দেৱকন্যাৰ করুণ মিনতি শুনা গ'লঃ 'বাছা মোৰ, তুমি মোক বন্দীত্বৰপৰা মুক্তি দিয়া। অৰণ্যত থাকি মই ভাল পাওঁ, তুমি মোক মোৰ জগতলৈ—অৰণ্যলৈ যাবলৈ দিয়া।"

ল'ৰাটো বিভ্ৰান্ত হৈ পৰিল। সি প্ৰশ্ন কৰিলে, "ককা, মই এই তম্বুৰাৰ ভিতৰত থকা দেৱকন্যাক মুক্তি দিওঁনে?"

"তম্বুৰাৰ ভিতৰত দেৱকন্যা থকা বুলি কোনে ক'লে তোমাক?" বুঢ়াই প্ৰশ্ন কৰিলে ল'ৰাটোক।

ল'ৰাটোৱে ক'লে, "মই তম্বুৰাৰপৰা দেৱকন্যাৰ করুণ মিনতি বহুবাৰ শুনিছোঁ। দেৱকন্যাই বহুবাৰ তম্বুৰাৰ ভিতৰৰপৰা মুক্ত হ'বলৈ বিচাৰিছে। মই দেৱকন্যাক বন্দী কৰি ৰাখিব নোৱাৰিম। তম্বুৰাটো যদি সঁচাকৈয়েই মোৰ, তেনেহ'লে মই এই মুহূৰ্ততে দেৱকন্যাক তম্বুৰাটোৰপৰা মুক্তি দিবলৈ বিচাৰোঁ।"

"এই দেৱকন্যা যদি তুমি মুক্তি দিয়া, তেনেহ'লে তম্বুৰাৰপৰা আৰু কেতিয়াও গান নোলাব। আৰু, দেৱকন্যাক বন্দী

কৰি ৰাখা যদি, সদায় সকলোতে গান শুনিব আৰু শুনাব পাৰিবা, জগতক সেই গানেৰে মুগ্ধ কৰিব পাৰিবা। কিন্তু দেৱকন্যাক মুক্তি দিয়াৰ পাছত এই তম্বুৰাবজাই গান গালে, তোমাক বাটৰ ভিকহু যেনহে লাগিব, কোনেও তোমাৰ গান নুশুনা হ'ব। অথচ—দেৱকন্যা তম্বুৰাৰ ভিতৰত থাকেমানে প্ৰচুৰ ধন, মান আৰু সুনামো আৰ্জিব পাৰিবা। এতিয়া—তুমি কি কৰিবা কৰা।"

তান্ত্ৰিকৰ এই কথাৰ উত্তৰত ল'ৰাটোৱে কলে, "ককা, মই কোনো স্বাৰ্থতে দেৱকন্যাক বন্দী কৰি নাৰাখোঁ।" এই বুলি কৈ, তৎক্ষণাৎ তম্বুৰাটো ভাঙি পেলালে ল'ৰাটোৱে।

আৰু লগে লগে ভগা তম্বুৰাটোৰপৰা এগৰাকী ৰূপৱতী দেৱকন্যা ওলাই আহিল। দেৱকন্যাই ল'ৰাটোক ক'লে, "বাছা, তোমাৰ মনৰ তুলনা নাই। তুমি যে মোক মুক্তি দিলা, তাৰ কাৰণে মই তোমাৰ ওচৰত কৃতজ্ঞ থাকিম। তোমাক কথা এষাৰ কওঁ, মই তম্বুৰাটোৰ ভিতৰত যিমানদিনলৈ বন্দী হৈ আছিলোঁ, সিমান-দিন সদায় গান শুনিবলৈ পাইছিলা। কিন্তু এতিয়াৰপৰা আৰু গান শুনিবলৈ নোপোৱা। পিছে—মাজে-সময়ে তোমাক মই গান শুনামহি। তুমি মোৰ সেই গান লিখি জগতবাসীক দিবা, শিকি শুনাবা, তোমাৰ যশস্যা বাঢ়িব।" এই বুলি কৈয়েই দেবকন্যা নোহোৱা হ'ল।

তান্ত্ৰিক বুঢ়াই ভগা তম্বুৰাটোক পুনৰ যোৰা লগাই দিলে আৰু ক'লে, "বোপা, তোমাৰ ত্যাগ আৰু সাহসে মোক মোহিত কৰি পেলাইছে। এয়া লোৱাঁ তোমাৰ তম্বুৰা! তুমি সুখে-সন্তোষেৰে জীৱন কটোৱাঁ, এই আশীৰ্বাদ কৰিছোঁ তোমাক।" এই বুলি কৈ বুঢ়া চকুৰ পচাৰ নৌপৰোঁতেই অদৃশ্য হৈ পৰিল।



শিৱ-পুৰাণ

৭

পাৰ্বতীয়ে কাতৰ কণ্ঠেৰে বিষ্ণুক ক'লেগৈ, "ককাইদেউ- মোৰ স্বামীক গজাসুৰে লিংগৰূপে তাৰ হৃদয়ত লুকাই ৰাখিছে। তুমি তেওঁক মুক্ত কৰি কৈলাসলৈ লৈ যোৱাৰ দিহা কৰি দিয়াঁ।"

বিষ্ণুৱে ৰুদ্ৰ, বীৰভদ্ৰ প্ৰমুখ গণসকলক থৈ ব্ৰহ্মাৰ ওচৰলৈ গ'ল। বিষ্ণুৱে কি কৰিবলৈ ওলাইছে—ইন্দ্ৰয়ো জানিব পাৰিলে। বিষ্ণুৰ লগে লগে ইন্দ্ৰও গ'ল।

নন্দীয়ে বলদৰ ৰূপ লৈ বঢ়িয়াকৈ খেল দেখুৱাবলৈ ধৰিলে। সকলোটিয়ে বলদৰূপী নন্দীক শলাগি থাকিল। আৰু অৱশেষত এই বলদৰ শলাগণি 'গজাসুৰৰ কাণত পৰিলগৈ। গজাসুৰে বলদটোৰে সৈতে বাদকহঁতকো মতাই নিয়ালে। তেওঁলোকে গজাসুৰৰ ৰাজসভালৈ গৈ, শিৱস্তোত্ৰ গাই গাই বলদৰ খেলা দেখুৱালৈ ধৰিলে। নিজৰ প্ৰশংসা শুনি গজাসুৰৰ হৃদয়ত থকা শিৱৰ বৰ আনন্দ হ'ল। আৰু এই আনন্দত গজাসুৰৰ হৃদয়ৰ ভিতৰত থকা শিৱলিংগই ক্ৰমাত ফুলি ডাঙৰ আকৃতি ল'বলৈ ধৰিলে।

লিংগ ক্ৰমাত ডাঙৰ হোৱাৰ ফলত গজাসুৰে উশাহ-নিশাহ ল'বলৈকো টান পালে। তেওঁৰ মৃত্যু যে চমু চাপি আহিছে—সেই কথাটো গজাসুৰে স্পষ্টকৈ অনুভৱ কৰিলে। তেওঁ আৰ্তনাদ কৰি থাকিল, "হে শিৱ, ৰক্ষা কৰাঁ! মোক ৰক্ষা কৰাঁ!"

'গজাসুৰৰ মৃত্যু'



শিৱই ক'লে, "গজাসুৰ, তোমাৰ মৃত্যু অৱধাৰিত। এতিয়া তুমি ইচ্ছা হ'লে বৰ খুজি ল'ব পাৰা।"

"মৃত্যুৰ পাছত মই পুনৰ জন্মলাভ কৰিবলৈ বিচাৰোঁ। মোৰ গাৰ ছাল তুমি পিন্ধিবা। মোৰ মস্তক পূজনীয় হয় যেন। মোক এই তিনিটা বৰ লাগে।"

শিৱই গজাসুৰক তিনিটা বৰ দিলে। তাৰ পাছত গজাসুৰৰ পেট ফালি শিৱ ওলাই আহিল আৰু লগে লগে গজাসুৰৰ মৃত্যু হ'ল। গজাসুৰৰ মৃত্যু হোৱাৰ লগে লগে গজাসুৰৰ অনুচৰ তথা তেওঁৰ পৰিয়ালস্থ সকলোটিয়েই বিষ্ণু আৰু অন্যান্যৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আগবাঢ়ি আহিল। অলপ সময় যুদ্ধ কৰাৰ পাছত বিষ্ণুৰ হাতত তেওঁলোকৰো মৃত্যু হ'ল।

শিৱই পাৰ্বতীলৈ বাতৰি পঠালে যে গজাসুৰক নিধন কৰি তেওঁ কৈলাসলৈ গৈ আছে। এই বাতৰি পায়েই পাৰ্বতীয়ে স্নান কৰি শুচি হৈ দেৱতাসকললৈ পূজা আগ কৰাৰ আগতে সিংহদ্বাৰ থকা লক্ষ্মীগণাধিপতিহঁতক ক'লে, "শুনা, মই স্নানাগাৰলৈ যাওঁ। মই স্নানগাৰৰপৰা ওলাই নহালৈকে কোনেও যেন ভিতৰ সোমাব নাপায়।

পাৰ্বতী স্নানাগাৰলৈ সোমোৱাৰ লগে লগেই নন্দীশ্বৰ আৰু আন কেইজনমান উপস্থিত হ'লহি। এওঁলোক প্ৰাসাদৰ ভিতৰলৈ যাব খোজাত লক্ষ্মীগণাধিপতিগণে বাধা প্ৰদান কৰি ক'লে, "আয়ে স্নান কৰি আছে, এতিয়া কাকো ভিতৰলৈ যাবলৈ নিদিবলৈ আয়ে আমাক টানি নিৰ্দেশ দিছে। পুনৰ নিৰ্দেশ নোপোৱালৈকে ভিতৰলৈ সোমোৱা নিষিদ্ধ।"

"কিন্তু আমি পৰমেশ্বৰৰ অনুমতি অনুসাৰেহে ইয়ালৈ আহিছোঁ। তিনিও লোকত কোনেও পৰমেশ্বৰৰ বিৰুদ্ধে মাত মাতিব নোৱাৰে। তোমালোকনো কোন যে ইমানকৈ বেলবেলাইছা?" ৰুদ্ৰগণে লক্ষ্মীগণাধিপতিহঁতক হোৱাই-নোহোৱাই





গালি পাৰিবলৈ ধৰিলে। আৰু অলপ পাছত এওঁলোকৰ মাজত দবৰাদবৰি লাগি পৰিল। পাৰ্বতীৰ লিগিৰী এজনীয়ে পাৰ্বতীক ক'লেগৈ, “আই, ৰুদ্ৰ আৰু আমাৰ লক্ষ্মীগণাধিপতিহঁতৰ মাজত প্ৰচণ্ড যুদ্ধ লাগি পৰিছে।”

এই কথা শুনি ক্ৰুদ্ধ হৈ পাৰ্বতীয়ে দেৱগণাধিপতিসকলক পঠালে লক্ষ্মীগণাধিপতিসকলক সহায় কৰিবলৈ। দেৱগণাধিপতিসকলে ৰুদ্ৰগণাধিপতিহঁতৰ ওপৰত প্ৰচণ্ড বিক্ৰমৰে জঁপিয়াই পৰিল। অগত্যা ৰুদ্ৰগণাধিপতিহঁত তাৰপৰা পলাই গ'ল।

ৰুদ্ৰগণাধিপতিহঁত পোনে পোনেই শিৱৰ বনলৈ গ'ল আৰু শিৱক সকলো কথা বিবৰি ক'লেগৈ। পাৰ্বতীৰ নিৰ্দেশত যে এই কাণ্ড হৈছে—শিৱই সেই কথা স্পষ্টকৈ জানিলে। তাত তেতিয়া নাৰদমুনিও উপস্থিত আছিল। নাৰদে মন্তব্য কৰিলে, “পাৰ্বতীৰ ছুৱৰীহঁতৰ ইমান সাহস কেনেকৈ হ'ল? শিৱৰ আদেশ সিহঁতে কেনেকৈ অগ্ৰাহ্য কৰিলে!”

নাৰদৰ মন্তব্যই শিৱৰ ক্ৰোধত ঘৃতাহুতি দিলে। শিৱে আন একো নভবা-নুগুণাকৈ নিজৰ শূলপাট এৰি দিলে। এই ত্ৰিশূল লক্ষ্মীগণাধিপতিহঁতৰ মূৰ ছুটুকুৰা কৰি পুনৰ শিৱৰ ওচৰলৈ উভতি আহিল।

আৰু ঠিক তেতিয়াই ব্ৰহ্মা, বিষ্ণু প্ৰমুখৰ সৈতে লগ লাগি শিৱো তালৈ আহিল। শিৱ পাৰ্বতীৰ সমুখত থিয় হ'লগৈ। কিন্তু বিষাদগ্ৰস্তা পাৰ্বতীয়ে শিৱলৈ ঘূৰিও নোচোৱা হ'ল।

বিষ্ণুৱে পাৰ্বতীক ক'লেগৈ, “ভগ্নী, গজাসুৰৰ মৃত্যুৰ ফলত তিনিও লোকতে আনন্দৰ জোৱাৰ বৈ যোৱাৰ কথা তুমি শুনিছানে? কিন্তু তুমিনো কিয় বিষাদগ্ৰস্তা হৈ আছা? তোমাৰ কি হ'ল? তোমাৰ কথাতহে মই শিৱক মুক্ত কৰি আনিলোঁ।”

বিষ্ণুৰ কথা শুনি পাৰ্বতীয়ে ক'লে, “ককাইদেউ, তেওঁ অহেতুকভাৱে মোৰ

মৰমৰ লক্ষ্মীগণাধিপতিহঁতক মাৰি পেলালে। সিহঁতক জীয়াই নোতোলালৈকে মই বিষাদগ্ৰস্তা হৈয়ে থাকিম।"

শিৱই ব্ৰহ্মা, বিষ্ণু আৰু ইন্দ্ৰক ক'লে, মৃত্যুমুখী গজাসুৰক প্ৰদত্ত বৰ তিনিটাৰ কথা তাৰ ভিতৰত এটা হ'ল—গজাসুৰৰ মস্তক পূজিত হ'ব। আনটো হ'ল—শিৱই গজাসুৰৰ গাৰ ছাল পিন্ধিব লাগিব।

এমতাৱস্থাত ঠিক কৰা হ'ল যে লক্ষ্মীগণাধিপতিৰ দেহটোত গজাসুৰৰ মস্তক সাঙুৰিব লাগিব। গজাসুৰৰ মস্তক অনাই অপধিতৰ দেহত সাঙোৰাৰ লগে লগেই অধিপতিয়ে চকু মেলি চালে—যেনিবা গভীৰ টোপনিৰপৰাহে সাৰ পাইছে। অধিপতিয়ে পাৰ্বতী আৰু বিষ্ণুক প্ৰণাম কৰিলে। তাৰ পাছত অন্যান্য মৃত লক্ষ্মীগণাধিপতিহঁতৰ দেহতো এটাকৈ গজমুণ্ড সাঙোৰা হ'ল। সকলো জী উঠিল! পাৰ্বতীৰ মুখত হাঁহি বিৰিঙিল।

পাৰ্বতীৰ এই আনন্দমুখৰ অৱস্থাত বিশ্বদৰ্শী নামৰ এগৰাকী উপ-ব্ৰহ্মাই আবেদন জনালে, "হে শিৱ-পাৰ্বতী, মোৰ কন্যা জয়লক্ষ্মী প্ৰমুখৰ সৈতে লক্ষ্মীগণাধিপতিসকলৰ বিবাহৰ ব্যৱস্থা কৰা হয় যদি—বৰ ভাল হ'ব। আপোনা-লোকে অনুমতি প্ৰদান কৰে যদি এই



শুভকৰ্ম এতিয়াই সম্পাদিত হ'ব।"

উপ-ব্ৰহ্মাৰ অনুৰোধ শুনি সকলোৱে ভাল পালে। স্বয়ং ব্ৰহ্মা পুৰোহিত হ'ল। বিশ্বদৰ্শীৰ জীয়েকসকলৰ সৈতে লক্ষ্মীগণাধি-পতিহঁতৰ বিবাহ হ'ল। লক্ষ্মীগণপতি আছিল আটাইতকৈ ডাঙৰ। তেওঁৰ লগত জয়লক্ষ্মীৰ বিবাহ হ'ল।

বিবাহ-পৰ্ব সমাধা হোৱাৰ অন্তত পাৰ্বতীয়ে শিৱক ক'লে, "হে পৰমেশ্বৰ, তুমি গজাসুৰক যি বৰ দিলা, সেই বৰ আমাৰ এই সন্তানসকলকো দিয়াঁ আৰু বিভিন্ন পদত প্ৰতিষ্ঠিত কৰাঁ।"

হঠাৎ কাৰ্তিক তাত উপস্থিত হৈ

গণাধিপতিহঁতৰ নেতৃত্ব প্ৰাৰ্থনা কৰিলে।

শিৱই কাৰ্তিকক ক'লে, "তুমি হ'লা দেৱ-সেনাপতি। ৰুদ্ৰগণৰ নেতৃত লক্ষ্মী-গণহঁতক দিম। তুমি এই প্ৰস্তাৱত সন্মত হোৱা।"

কিন্তু কাৰ্তিক সন্মত নহ'ল।

এই অৱস্থাত শিৱই কাৰ্তিক আৰু লক্ষ্মীগণাধিপতিসকলৰ নেতাৰ মাজত এক প্ৰতিযোগিতা পাতিলে। কাৰ্তিকে তেওঁৰ বাহন ময়ুৰৰ পিঠিত উঠি প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ল। লক্ষীগণাধিপতিৰ নেতাৰ বাহন আছিল এন্দুৰ। যিজনে সকলো তীৰ্থক্ষেত্ৰ ভ্ৰমি আগতে কৈলাস পাবহি তেওঁকে বিজয়ী বুলি ঘোষণা কৰা হ'ব— এয়ে আছিল প্ৰতিযোগিতাৰ বিষয়।

কাৰ্তিকে ময়ূৰৰ পিঠিত উঠি থিতাতে অদৃশ্য হ'ল। আনহাতে, লক্ষ্মীগণাধিপতিৰ নেতাই এন্দুৰক বাহন ৰূপে পাই, আৰু কাৰ্তিকক সেইদৰে বিজুলীগতিৰে গুচি যোৱা দেখি, নিজৰ পৰাজয় সম্পৰ্কে নিশ্চিত হৈ পাৰ্বতীক ক'লেগৈ, "মা, মোৰ ওপৰত কিমান অবিচাৰ হ'ল দেখিলানে? কাৰ্তিকৰ ময়ুৰ বিজুলী গতিৰে গুচি গ'ল। আমি এনেয়ে চুটি-চাপৰ, আকৌ মূৰটো আমাৰ মস্ত ডাঙৰ। ইমান ডাঙৰ মূৰ আৰু মেদেলা দেহৰ ভাৰ ইমান কণমানি এন্দুৰ এটাই কেনেকৈ সহিব? কেনেকৈ মোক ই কঢ়িয়াব? এনে ধৰণৰ অসম প্ৰতিযোগিতাৰ বন্দৱস্ত কৰাতকৈ আমাক কোনো প্ৰকাৰৰ অধিকাৰ দিয়া নহ'ব বুলি দেউতাই কৈ দিব পাৰিলেহেঁতেন। জানি-বুজি এনেহেন প্ৰতিযোগিতাত ভাগ ল'বলৈকো মন নাযায়।"

"শুনা, বোপা, মই এইবোৰ মেৰপাকৰ কথা বৰ বুজি নাপাওঁ। তুমি এই বিষয়ে পৰামৰ্শ ল'বলৈ তোমাৰ মামাৰৰ—বিষ্ণুৰ ওচৰলৈ যোৱা।" এই বুলি কৈ, পাৰ্বতীয়ে লক্ষ্মীগণাধিপতিক বিষ্ণুৰ ওচৰলৈ পঠিয়ালে।

জ্বাৰৰ মন্ত্ৰ

বহুকালৰ আগৰ কথা। শ্বেতনগৰত সেইবাৰ হাড় কঁপোৱা জাৰ পৰিল। মানুহে দুৱাৰ-খিৰিকী মাৰি ঘৰতে থাকিবলৈ বাধ্য হ'ল। আৰু ঠিক তেতিয়াই জিতেন্দ্ৰ নামৰ গৃহস্থৰ ঘৰত এক জটিল সমস্যাই মূৰ দাঙি উঠিল।

জিতেন্দ্ৰৰ দেউতাকৰ বয়সে যাঠিৰ ডেওনা পাইছিলগৈ। ঘৰত যিমান লেপ-কেঁথা-কম্বল আছিল—আটাইবোৰ গাত দিও তেওঁৰ জাৰ নকমিল।

"ওহোঁ, এয়া জাৰৰ কাণ্ড নহয়, কথা আন। তেওঁৰ বোধকৰোঁ ভিতৰি ভিতৰি জ্বৰ হৈছে। দৰব খুৱালে এই জ্বৰ, আৰু জাৰো নকমে।" মাকে ক'লে।

এতিয়া সমস্যা হ'ল চিকিৎসকক মাতি আনিবলৈ ইমান জাৰত ওলাব কোনে। আৰু—এই ঠৰঙালগা জাৰত—চিকিৎসকো আহিবনে? জিতেন্দ্ৰই তেওঁৰ মাকক ক'লে, "মা, মোৰ ধাৰণা, ইমান জাৰত চিকিৎসকো ঘৰৰপৰা নোলাব। দেউতাৰ অ-অৱস্থা মোক সুধিব। আৰু মই যি ক'ম, তাৰ ভিত্তিতহে দৰব দিব।"

তাৰ পাছত তেওঁলোকৰ ঘৰৰ কাম-বন কৰা মানুহ দুজনৰ মাজত এজনক চিকিৎসকক মাতি আনিবলৈ পঠোৱাটোকে খাটাং কৰা হ'ল। প্ৰথমজনে পোনে পোনেই যাবলৈ অস্বীকাৰ কৰিলে। দ্বিতীয়জনক কোৱাৰ কোৱাৰ লগে লগেই বিৰক্ত হৈ তৎক্ষণাৎ দুৱাৰ খুলি ওলাই যাবলৈ খোজ ল'লে। আৰু দুৱাৰখন খোলাৰ লগে লগেই এটা মগনিয়াৰে চিঞৰি উঠিল, "আইঔ! এমুঠি ভাত

দিবনে ? আইঔ ! মোৰ বৰ ভোক—”

মগনিয়াৰটোক দেখি জিতেন্দ্ৰৰ ঘৰৰ কাম-বন কৰা মানুহটোৱে জিতেন্দ্ৰক ক’লে, “চিকিৎসকক মাতি আনিব নালাগে। আমাৰ ঘৰৰ আগত এগৰাকী যোগী মহাপুৰুষ থিয় হৈ আছে। তেওঁ যে কিমান ডাঙৰ যোগী মই বুজাই ক’ব নোৱাৰিম। ইমান জাৰতো তেওঁ উদং গাৰে ওলাইছে! আপুনি চাওকহি, তেওঁ জাৰত কঁপা নাই, কষ্টৰ লা-লক্ষণো একো নাই তেওঁৰ গাত।”

এই কথা শুনি জিতেন্দ্ৰই দুৱাৰখন খোলাৰ লগে লগেই মগনিয়াৰটোৱে কৈ উঠিল, “দেউতা, ভোকৰ পোৰণি আৰু সহিব পৰা নাই। মোক এসাজ ভাত খাবলৈ দিয়ক দেউতা।”

জিতেনে মগনিয়াৰটোৰ ভৰিৰপৰা মূৰলৈকে চাই লৈ, তাৰ ওচৰ চাপি গৈ ক’লে, “তোমাক মই এসাজ নালাগে—দহ সাজকে খুৱাম। পিছে—মোৰ দেউতাৰ ওচৰলৈ যাব লাগিব। মোৰ দেউতাই জ্বৰত, বা জাৰতে বৰ কষ্ট পাইছে। তেওঁৰ জাৰ বা জ্বৰ কমিব পৰা কিবা এটা তুমি কৰি দিবা।”

এই কথাৰ উত্তৰত মগনিয়াৰটোৱে ক’লে, “দেউতা, পেট পূৰাই ভাত খুৱাব শুনি ভালেই পাইছোঁ। কিন্তু সেই যে চৰ্ত বান্ধি লৈছে—মইনো কেনেকৈ কি কৰিম? মই তো বেজো নহওঁ, দৰবপাতিও নাই। মই এটা সাধাৰণ মগনিয়াৰ।

জিতেনে কেইখন্তেকমান ভাবি লৈ ক’লে, “ঠিক আছে, একো কৰিব নোৱাৰা যদি—এই গাঁৱৰ মুনিম বেজক মাতি লৈ আহাঁগৈ। তেওঁ নাহে যদি—ক’বাগৈ যে মোৰ দেউতাই জ্বৰ আৰু জাৰতো কাহিল হৈ পৰিছে, দৰব লাগে।”

“দেউতা, মই একেবাৰে খোজ কাঢ়িব পৰা নাই এতিয়া। ভাত-পানী নোখোৱাকৈ মই একো কৰিব নোৱাৰিম। গাত

বল-শক্তি একেবাৰে নাই মোৰ।"

"শুনা, মই তোমাক শেষবাৰলৈ কৈছো, বেজক মাতি আনিব পাৰিলে, বা কমেও, বেজৰপৰা দৰবপাতি লৈ আহিব পাৰিলেহে মই তোমাক পেট পূৰাই খুৱাম। তুমি নোযোৱা যদি মই আন কাৰবাক পঠাম।"

মগনিয়াৰটোক খাবলৈ দিলেই সি ফালৰি কাটিব বুলি জিতেনৰ ধাৰণা হৈছিল। বেজক মাতি অনাৰ নামত আন ক'ৰবালৈ গুচি যাবগৈ। গতিকে—জিতেন কঠোৰ হ'ল। আৰু মগনিয়াৰটোৰে বাধ্যত পৰি বেজক মাতি আনিবলৈ মান্তি হ'ল।

জিতেনে তাৰ দেউতাকৰ বেমাৰৰ তথা জাৰৰ বিবৰণ এখিলা কাগজত লিখি কাগজখন মগনিয়াৰটোৰ হাতত দি মগনিয়াৰটোক ক'লে, "এই কাগজখিলাৰ ওপৰত বেজক লিখি দিবলৈ ক'বা।" এই বুলি কৈ, বেজৰ ঘৰলৈ যোৱাৰ বাট-পথ বুজাই কৈ দিলে।

তাৰ পাছত জিতেনে তেওঁৰ মাকক সকলো কথা সবিস্তাৰে কোৱাত মাকে ক'লে, "এইবোৰ মগনিয়াৰ-টগনিয়াৰে নানান ধৰণৰ দৰবপাতিৰ সা-সন্ধান জানে। ই-ও নিশ্চয় জানে। নহ'লে ইমান জাৰতো সি উদংমূৰীয়াটো হৈ ঘূৰি ফুৰিব পাৰেনে ?"

জিতেনে ক'লে, "যদি জানেই তেনেকুৱা কিবা—তাক ঘৰুৱা কামৰ বাবে ৰাখিম। তাকতো টকা-পইচা দিব নালাগে।"

এইবোৰ কথা পাতি থাকোঁতেই মগনিয়াৰটো উভতি আহিল। বেজে তাৰ হতুৱাই দৰব পঠাইছে। সেই দৰব তৎক্ষণাৎ জিতেন্দ্ৰৰ দেউতাকক খুউৱা হ'ল। অলপ পাছত জাৰ কমিল। তেওঁ টোপনিত লাল-কাল দিলে।

ইতিমধ্যে জিতেনৰ পৰিবাৰে মগনিয়াৰটোক খাবলৈ দিছিল। তেওঁ তাক অতি কোমল মাতেৰে সুধিলে, "তুমি গাই খীৰাব পাৰিবানে ?"

"পাৰিম, আই।" সি ক'লে।

জিতেনৰ দুজনী গাই আৰু দুটা ম'হ আছিল। প্ৰচণ্ড জাৰত কোনেও ঢলপুৰা গাই খীৰাবলৈ নোলোৱা হ'ল। জিতেনৰ পৰিবাৰৰ কথাত এই মগনিয়াৰটোৱে গোহালিত সোমাই গাই দুজনীক খীৰাই গাখীৰ লৈ আহিল।

ইমান খৰতকীয়াকৈ কামটো কৰাত জিতেনৰ পৰিবাৰে মগনিয়াৰটোক ঘৰৰ কাম কৰা মানুহ হিচাপে ৰাখিবলৈ স্থিৰ কৰি পেলালে। বিশেষকৈ, ইমান জাৰত তাৰ নিচিনা মানুহ এজন বোধকৰো পৃথিৱীখনতো বিচাৰি পাবলৈ নাই।

তাৰ পাছত এখন ঢাৰি পাতি দি জিতেনৰ পৰিবাৰে মগনিয়াৰটোক জিৰণি ল'বলৈ ক'লে। মগনিয়াৰটোৱে ঢাৰিখন লৈ জিতেনৰ পৰিবাৰক ক'লে, "আই, গাত উৰিবলৈ কিবা এখন কিবা পাৰিবানে?"

"সৌৱা চোৱা—তাত এখন কম্বল শুকাবলৈ দিয়া হৈছে। সেইখনকে গাত লোৱাচোন আনি। হ'বনে?" জিতেনৰ পৰিবাৰে ক'লে তাক।

মগনিয়াৰটোৱে দুৱাৰখন খুলি ওলাবলৈ ধৰোঁতে হঠাৎ চেঁচা বতাহ বৈ গ'ল। তেতিয়া সি ক'লে, "আই, বাহিৰত বৰ চেঁচা বতাহ মাৰিছে, ইয়াত আন এখন কম্বল-টম্বল একো এটাও নাইনে?"

মগনিয়াৰটোৰ কথা শুনি অতি



আচৰিত হৈ—জিতেনে তাক সুধিলে, "তোমাৰ বাৰু—জাৰ লাগিছেনে কি?"

"কিনো কয় দেউতা, ইমান জাৰ পৰিছে, জাৰ নালাগিবনে? মই মগনিয়াৰ হ'লেও দেহাটো তো মোৰো মানুহৰহে!" সি জিতেনক ক'লে।

"কিন্তু তোমাৰ জাৰৰ বোধ আছিল যদি—তেনেহ'লে এবেগেতমান ফটাকানি পিন্ধি তুমি দুৱাৰে দুৱাৰে ভিক্ষা কৰি ফুৰিছিলা কেনেকৈহে? তেতিয়া তোমাৰ জাৰ লগা নাছিলনে?" জিতেনে জক-জকাই উঠি ক'লে।

"চাওক, যোৱা দুটা দিন ধৰি মই একো খোৱা নাছিলোঁ। এই দুটা দিন একমাত্র ভোকৰ পোৰণি বাদে আন কোনো কথা ভবা নাছিলোঁ মই। ভোকৰ চিন্তা আছিল মোৰ একমাত্র চিন্তা। মই জাৰৰ ভয়ত নোলোৱা হ'লে পেট পুৰাই ক'ত কেনেকৈ খালোহেঁতেন, দেউতা?" মগনিয়াৰটোৱে ক'লে।

এই কথা শুনি জিতেনৰ মূৰত আন এটা চিন্তাই বাহ ল'লে। তেওঁ ভাবিলে: যেতিয়ালৈকে মগনিয়াৰটোৰ পেটত ভোকৰ পোৰণি আছিল; তেতিয়ালৈকে সি কেৱল ভোকৰ পোৰণিহে অনুভৱ কৰিছিল। কিন্তু পেটৰ পোৰণি নোহোৱা হোৱাৰ লগে লগে তাৰো জাৰ লাগি গ'ল। —এই কথাটো ভাবি তেওঁৰ



মনত এটা সন্দেহই উক দি উঠিল। তেওঁ মগনিয়াৰটোক ক'লে, "এই জাৰত মানুহৰ তেজ গোট মাৰি যাব ধৰিছে। তেনেস্থলত তুমি বাটে বাটে খোজ কাঢ়ি কাঢ়ি, ঘৰে ঘৰে ঘূৰি ঘূৰি ভিক্ষা খুজি ফুৰিছিলা। কোন জাদুৰে তুমি উদং গাৰে এনেকৈ ঘূৰি ফুৰিব পাৰিছিলা— ভাবিও পাৰ-কূল পোৱা নাই। ঘটনটো এটা—যাক বোলে অবাক কাণ্ডৰ দৰেহে লাগি গৈছে।"

মগনিয়াৰটোৱে মিচিকীয়াই ক'লে, "দেউতা, সুখ-সুবিধা থাকে যদি—বৈ আছে জাৰৰ নদী। এই জাৰ যে সহ্য কৰিব নোৱাৰি, কথা তেনেকুৱা নহয়। যিজনৰ চকুৰ আগত কেইবাটাও পথ আছে, সেইজনে যিটো পথেৰে ইচ্ছা খোজ ল'ব পাৰে। কিন্তু যাৰ দুচকুৰ আগত মাত্ৰ এছোৱাহে পথ, সিনো আৰু কি কৰিব? আজি, এতিয়া মই আপোনাৰ ঘৰত আছোঁ, ভালে আছোঁ। কালিলৈ পুনৰ যদি ইয়াৰপৰা গুচি যাবলগীয়া হওঁ, তেনেহ'লে জাৰৰ কামোৰ খাবই লাগিব, জাৰে মোক নেৰিব। আৰু—আচল কথা হ'ল—জাৰক যিমানেই লাই দিব, সিমানেই সি মূৰত উঠিব।"

সিদিনাৰেপৰাই জিতেন্দ্ৰই জাৰৰ বিষয়ে নতুনকৈ কিবা যেন আৱিষ্কাৰহে কৰিলে। কেৱল জিতেন্দ্ৰয়েই নহয়, মগনিয়াৰটোৰ কথা শুনাৰ পাছৰেপৰাই এই ঘৰৰ কোনেও আৰু জাৰলৈ সিমান ভয় নকৰা হ'ল। আনকি ঘৰৰ কাম-বন কৰা মানুহ দুজনেও জাৰৰ প্ৰতাপ নমনা হ'ল। প্ৰত্যেকেই যেনিবা এই মগনিয়াৰ-টোৰপৰা জাৰ 'কমোৱাৰ মন্ত্ৰ পাই গ'ল।

আৰু মগনিয়াৰটোৰপৰা ইমান উপকাৰ পোৱাৰ ফলত জিতেন্দ্ৰই তাক ঘৰুৱা কামৰ বাবে সিদিনাৰেপৰাই মকৰল কৰি তাৰ ভিক্ষুক-জীৱনৰ সমাপ্তি সূচালে।

শগুন

আমি দূৰবীণেৰে দূৰৰ বস্তু ওচৰত থকা যেন দেখা পাওঁ। কিন্তু শগুনে দূৰবীণ নোহোৱাকৈয়েই বহু ওখ ঠাইৰপৰা বহু দূৰৰ বস্তু স্পষ্টকৈ দেখা পায়। ইহঁতৰ চকুৱেই দূৰবীণৰ কাম কৰে। মানুহৰ, বা আন কোনো প্ৰাণীৰ ইমান প্ৰখৰ দৃষ্টিশক্তি নাই। শগুনৰ চকুৰ এটা অংশই ওচৰৰ বস্তু দেখাত সহায় কৰে, আন অংশেৰে শগুনে বহু দূৰৰ বস্তু দেখা পায়। শগুনইঁতে আকাশৰ বহু ওপৰলৈ গতি কৰিব পাৰে আৰু তলত থকা যিকোনো বস্তু চকুৰে পৰিষ্কাৰকৈ মণিব পাৰে।

কেতিয়াবা ইহঁতৰ দৈহিক উচ্চতা এমিটাৰলৈকো হোৱা দেখা যায়। ইহঁতে মঙহ খাবলৈ ভাল পায়। ইহঁতৰ ডেউকা অতি শক্তিশালী। ইহঁতৰ মুৰৰ ওপৰত আৰু ডিঙিতো পাখি থাকে। ইহঁতৰ ঠেংৰ আগফালে তিনিটা আৰু পাছফালে এটা আঙুলিত ধাৰাল আৰু বেঁকা নখ থাকে। ইহঁতৰ নাক অতি টান।

শগুনে মাংস খায়; কিন্তু ইহঁতে নিজে প্ৰাণীহত্যা কৰি নাখায়, যদিও প্ৰাণীহত্যা কৰাৰ ক্ষমতা ইহঁতৰ নথকা নহয়। ইহঁতে মৃত পশু-পক্ষীৰ মাংস খাই জীৱনধাৰণ কৰে।

এছিয়া, আফ্ৰিকা আৰু ইঅ'ৰোপৰ উচ্চপ্ৰধান অঞ্চলত ইহঁতক অধিক সংখ্যাত দেখা পোৱা যায়। ইহঁতে বহুদিনলৈ নোখোৱাকৈ থাকিব পাৰে। যেতিয়া খাদ্য পায় তেতিয়া পেট পূৰাই খাই লয়। বন-জংগলত কোনো জন্তু-জানোৱাৰ মৰিলে ইহঁতে সেই মৃত জন্তুক খাই পৰিবেশক মুক্ত কৰি দিয়ে। শগুনইঁতে মৃত জন্তু-জানোৱাৰবিলাকক খোৱাৰ ফলত বায়ু দুৰ্গন্ধমুক্ত হয়।

শগুন বিভিন্ন বৰণৰ আছে। আমাৰ দেশত একমাত্ৰ ক'লা বৰণৰ শগুনহে সকলোতে পৰিলক্ষিত হয়।

যিদিনা মোৰ লৰাই দন্তছিদ্ৰ আৱিষ্কাৰ কৰিলে!
"মা, মা অনিলৰ দাঁতত পোকে ধৰিছে।"
"ওহো, সেইটো নহয়। ইয়াক বোলা হয় দন্তছিদ্ৰ।"
"এৰা, মই তাকেই কব খুজিছো। মই মোৰ দাঁতবোৰ দেখুৱালো। সোৱাদভৰা, ফেনভৰা টুথপেষ্টৰ কথাও কলো।"
"ফৰহেন্স ফ্লোৰাইদ সোণকণ।"
"এৰা ঠিকেই! মই কলো, তুমি ইয়াক ভাল বুলি কোৱা, সেয়ে মই ব্যৱহাৰ কৰো। ময়ো খুউব ভালপাও!"
"সঁচাকৈয়ে ভাল! আলু মজবুত কৰে, দাঁতক দীৰ্ঘায়ু প্ৰদান কৰে।"
"ও ঠিকেইতো! বাৰু মা, অলপ চকোলেট কেক খাওনে? শোৱাৰ আগতে আকৌ ব্ৰাছ কৰিম! হবনে মা?"
ফৰহেন্স ফ্লোৰাইদ
সোৱাদ আৰু ফেনভৰা এই টুথপেষ্ট দাঁত আৰু আলু-দুয়োৰে সুৰক্ষা কৰে
Forhan's
FOR THE GUMS
with active FLUORIDE to check tooth decay
331 F 183 ASM

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৬ চনৰ জানুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৫ চনৰ নৱেম্বৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
- সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৫ চনৰ ছেপ্টেম্বৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ঘৰতে উজলি

দ্বিতীয় ফটো : প্ৰকাশে বিজুলী

পুৰস্কাৰ পাওঁতা : গীতাঞ্জলি ৰায়, গেৰুকাবাৰী, বিজনী।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানিবলগীয়া'ৰ উত্তৰ]

১। দ্য বেংগল গেজেট (১৭৮০ খ্ৰিঃ) ২। আক্ৰান ৩। এডাম্‌ছ পৰ্বতশিখৰ
৪। কুশীনগৰ ৫। পতঞ্জলী।

Printed by B.V. REDDI at Prasad Process Private Ltd., and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, 188, N.S.K. Salai, Madras-600 026. (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

स्वाद का गोला जीभ से बोला "... मुझसे चिपको, मुझसे लिपटो, मुझपे टूटो, मुझको लूटो. जीभ घुमाके, जीभ फिराके, चारों ओर से चाट लो मुझको. मैं अलबेली पॉप हूं लॉली. बाहर मेरे कैरेमल निराली, भीतर कॅडबरिज़ डेरी मिल्क चॉकलेट असली. जीभ को चैन न दूं मैं इक पल, मुंह में देर तक मचाऊं हलचल. तो झटपट आओ, स्वाद से मेरे ल-ल-ल लिपट जाओ..."
MR. POPS
नयी
Cadbury's
CHOCOLATE ECLAIR POP
कॅडबरिज़
चॉकलेट
क्लेयर पॉप्स
म-म-मतवाली, स्वाद की लंबी सैर कराने वाली पॉप लॉली!

নটৰাজেৰে লিখাৰ মজাই হ'ল বেলেগ। ই ইমান নিখুঁতকৈ লিখে যে সকলোৱে নটৰাজেৰেহে লিখি ভাল পায়। অকনো নভগাকৈ ই ইমান কোমল, ভালকৈ আৰু জোৰাকৈ লিখে যে আনকোনো এনেধৰণৰ পেন্সিলত এই মজা নাই। ইয়াৰ মানে হ'ল বহুত সময় ধৰি আপুনি লিখাৰ আৰাম পায়।

নটৰাজ পেন্সিল
বেচিকৈ লিখে, বেচিকৈ চলে

এক উৎকৃষ্ট উৎপাদন:
হিন্দুস্থান পেন্সিলছ প্ৰাঃ লিঃ বোম্বাই-৪০০ ০০১